14. Will the Minister, P. W. D. (R. and B.) be pleased to state—

(a) Whether a road has been sanctioned via Rampur-Ahompathar from Sorbhog P. W. D. during the 4th Plan ?

(b) If so, why this not been constructed as yet ?

(c) When this road will be constructed ?

Shri ALTAF HOSSAIN MAZUMDER, [Minister, P. W. D. (R. & B.)] replied :

14. (a)—This project has been selected by the M.L.A. Sub-Committee for execution during 4th Five Year Plan period.

(b)—The scheme is now under process for sanction.

(c)—The work will be completed within 4th Five Year Plan period.

*Re :* **Kumargaon-Kahitoma P. W. D. Road**

Shrimati PRANITA TALUKDAR asked :

15. Will the Minister, P.W.D. (R.&B.) be pleased to state-

(a) Whether there is a gap at the Kumargaon-Kahitoma P. W. D. Road near the Kahitoma Forest Office ?

(b) Why a culvert has not been constructed there ?

(c) When this road was constructed ?

Shri ALTAF HOSSAIN MAZUMDER [Minister P.W.D (R., & B.)] replied :

15. (a) & (b) - There is a channel at the terminus of the existing Kumargaon-Kahitoma P. W. D. Road. The Kahitoma Forest Office is situated on the opposite bank of the channel. There is no proposal for further extension of the road beyond the channel and as such the question of contruction of a culvert or bridge there does not arise.

(c) - The road was constructed during 1961.

## SHORT NOTICE
## QUESTIONS AND ANSWERS

হুলিয়াযান চাহ বাগিচাত ধৰ্ম্মঘট

শ্ৰীমতী লিলি সেনগুপ্তাই সুধিছে ঃ

*৩। মাননীয় শ্ৰমমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) হুলিয়াযান চাহ বাগিচাত একেবাহে ধৰ্ম্মঘট চলি থকাটো সচা নে ?

(খ) নিম্নতম মজুৰী আইন ভঙ্গ কৰিলতো কিয় ব্যৱস্থা লোৱা নহল ?

(গ) এই বাগিচাখন অনা-অৰ্থনৈতিক হয় নে ?

(ঘ) বিশৃঙ্খল পৰিচালনাৰ কাৰণে শ্ৰমিক আৰু কৰ্ম্মচাৰীসকল অধৈৰ্য্য আৰু বিশেষ ক্ষতিগ্ৰস্ত হোৱাটো সঁচা নে ?

(ঙ) চৰকাৰে এই বাগিচাখন পোনপটিয়াকৈ লোৱাৰ সিদ্ধান্ত অনতিপলমে কৰিবনে ?

শ্ৰম বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীছত্ৰগোপাল কৰ্মকাৰে উত্তৰ দিছে:

৩। (ক)—দুলিয়াযান চাহ বাগিচাৰ হৰতালৰ বিষয়ে কোনো খবৰ পোৱা হোৱা নাই।

(খ)—দুলিয়াযান চাহ বাগিচাৰ কৰ্মচাৰী আৰু বনুৱাসকলক মজুৰী নিদিয়া বিষয়টোলৈ ডিব্ৰুগড় সহকাৰী শ্ৰম আয়ুক্তই এটা চালিচী বিচাৰ চলায় আৰু ২৩/১১/৭০ তাৰিখে ইয়াৰ মীমাংসা কৰে আৰু পৰিচালকে ৩১/৩/৭১ তাৰিখৰ আগতে দিবলৈ বাকী থকা মজুৰী সম্পূৰ্ণ কৈ দিবলৈ সন্মত হয়। সন্মত হোৱা মতে দিবলৈ বাকী থকা মজুৰীৰ টকা দিয়া হৈছে নে নাই সেই বিষয়ে চাবলৈ আমাৰ সংশ্লিষ্ট বিষয়াক আৱশ্যকীয় নিৰ্দ্দেশ দিয়া হৈছিল আৰু অন্যথাই পৰিচালকৰ বিৰুদ্ধে গোচৰ তৰা হব।

(গ)—বাগিচাখন অনা-অৰ্থনৈতিক যেন নালাগে আৰু যুটীয়া মালিক হিচাবে থকা দুজন ভাই-ককাইৰ মাজত পৰিয়ালৰ বিবাদৰ হেতুকেই সাম্প্ৰতিক এই অৱস্থাৰ সৃষ্টি হোৱা যেন লাগে।

(ঘ)—এইটো সচা যে সময় মতে দৰ্মহা নিদিয়াৰ কাৰণে কৰ্ম্মচাৰীসকলে যথেষ্ট কষ্টৰ সন্মুখীন হবলগা হৈছে।

(ঙ)—তেনে কোনো সিদ্ধান্ত নাই।

## Voting on Demands for Grants

Mr. Speaker—Now, Item No. 2—Voting on Demands for Grants. Demand No. 8.

Shri Atul Chandra Goswami—অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই দুআষাৰমান কব খুজিছো। আমাৰ যোৱা লোকসভাৰ নিৰ্ব্বাচনত দেখা গল যে, ১৯৬৭ চনত যি সাধাৰণ নিৰ্ব্বাচন হৈ গল, তাত যিসকল নিৰ্ব্বাচক মণ্ডলীৰ নাম আছিল তাৰ বহুতো মানুহৰ নাম মধ্যবৰ্ত্তী নিৰ্ব্বাচনৰ ভোটাৰ তালিকাৰ পৰা হঠাতে নাইকীয়া হৈ গল। এনেকুৱা দেখা গল যে, Presiding অফিচাৰে ভোটাৰলিষ্ট নোলোৱাকৈয়ে ভোট গ্ৰহণ কৰিলে। অন্য জিলাৰ কথা অৱশ্যে মই নাজানো কিন্তু নগাও

জিলাৰ কোনো মহকুমা নথকাত মাত্র এজন চৰকাৰী নিৰ্ব্বাচন বিষয়া আছে। সেইবাবে নগাওত আটাইতকৈ বেছি আসোঁৱাহ আমি দেখিবলৈ পাইছো। আগতে ভোটাৰ Listৰ যি খচৰা হয় তাক আঞ্চলিক পঞ্চায়ত অফিচ আৰু মৌজাদাৰৰ অফিচত প্রকাশ কৰা হয় বা বাতৰি কাকতৰ জৰিয়তে বা বেতাৰ কেন্দ্ৰৰ জৰিয়তে প্রচাৰ কৰি ভোটাৰ সকলক সংশোধনীৰ কাৰণে সুবিধা দিয়া হয়। কিন্তু আজি ৪ বছৰে ভোটাৰ তালিকাৰ খচৰা তৈয়াৰ কৰা হৈছেনে? যদি তৈয়াৰ কৰা হৈছে তেন্তে কিয় প্রচাৰ কৰা হোৱা নাই।

শ্রী মহেন্দ্র মোহন চৌধুৰী (মুখ্যমন্ত্রী)—অধ্যক্ষ মহোদয়, মই ৮নং মঞ্জুৰীটো সদনত দাঙি ধৰিছো।

মিঃ স্পীকাৰ—১৯৭২ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "১৮-সংসদ, ৰাজ্যিক কেন্দ্রীয় শাসিত অঞ্চলৰ বিধান সভা-খ-ৰাজ্যিক বিধান সভা" শিতানৰ প্রশাসনৰ ক্ষেত্রত ব্যয় বহন কৰিবলৈ প্রয়োজনীয় ১৮,০৩,৫০০ টকাৰ কাৰণে ভাৰপ্রাপ্ত মন্ত্রীক ১৩,৫২,৭০০ টকা মঞ্জুৰ কৰা হওঁক?

যিসকলে মঞ্জুৰীটো সমৰ্থন কৰে সেই সকলে 'দা' বুলি কওঁক—'হয়'।
যিসকলে মঞ্জুৰীটো সমৰ্থন নকৰে সেই সকলে 'নহয়' বুলি কওঁক।
তেনেহলে মঞ্জুৰীটো গৃহীত হৈছে।

## Grant Demand No. 9

শ্রী মহেন্দ্র মোহন চৌধুৰী—অধ্যক্ষ মহোদয়, মই ৯ নং মঞ্জুৰীটো সদনত দাঙি ধৰিছো।

Mr. Speaker—Demand moved. There are three cut-motions. (All the cutmotions were moved together) Shri Lakshyadhar Choudhury will speak first.

শ্রী লক্ষ্যধৰ চৌধুৰী—অধ্যক্ষ মহোদয়, নিৰ্ব্বাচনৰ শিতানত যি ২৪,৫০,৮০০ টকাৰ দাবী তুলিছে সেই ক্ষেত্ৰত আমি কিছু অসোৱাহ দেখুৱাব খুজিছো। সেই কাৰণেই প্ৰস্তাৱটোৰ বিৰোধিতা কৰিছো।

Speech not corrected.

গণতান্ত্রিক ৰাষ্ট্ৰ এখনত নিৰ্ব্বাচন এটা বৰ পবিত্ৰ অনুস্থান। সেই পবিত্ৰতা যি ধৰণে ৰক্ষা কৰিব লাগিছিল, সেয়া মধ্যকালীন নিৰ্ব্বাচনত আমাৰ যি অভিজ্ঞতা তাৰ পৰা অনুমান হৈছে যে সেই পবিত্ৰতা ঠিকমতে ৰক্ষা কৰিব পৰা নাই। যোৱা ১৯৬৭ চনৰ নিৰ্ব্বাচনৰ এখন ভোটাৰ তালিকা আছিল। তাত বহুত মানুহৰ নাম থকা স্বত্বেও ১৯৭১ চনৰ মধ্যকালীন নিৰ্ব্বাচনত কোনো কোনো ক্ষেত্ৰত সমুদায় গাৱঁৰ মনুহৰে ভোটাৰ তালিকাত নাম ভৰ্ত্তি হোৱা নাই। ইয়াৰ দ্বাৰা আমাৰ গণতান্ত্ৰিক অধিকাৰ চৰকাৰৰ নিৰ্ব্বাচনী বিভাগে কাঢ়ি নিছে। মোৰ বোধেৰে নিৰ্ব্বাচনৰ ক্ষেত্ৰত ভোটাৰ তালিকা যুগুত কৰাটো প্ৰথম কথা। সম্পূৰ্ণ তালিকা প্ৰস্তুত নোহোৱাকৈ নিৰ্ব্বাচন পতা অবৈধ বুলি ভাবো। দ্বিতীয় কথা, ভোট লোৱা কেন্দ্ৰ সাধাৰণতে এক-ডেৰ মাইলৰ ভিতৰতে থকা উচিত। এইবাৰ সেইটোৰ ব্যতিক্ৰম হৈছে, আনকি আগতে থকা কেন্দ্ৰ উঠাই দি গাৱঁৰ মানুহক ৩-৪ মাইল পৰ্য্যন্ত দুৰত ভোট দিবলগীয়া কৰিছে। নগাৱঁত ৫ মাইল দুৰতো ভোট দিবলৈ যাবলগীয়া হৈছে।

এটা পৰামৰ্শ আগ বঢ়াব খোজো যে ভোটাৰ তালিকাত নাম অন্তৰ্ভূক্ত হৈছে নে নাই সেইটো প্ৰাৰ্থী বা দল বিলাকেহে ভোটাৰক জনায়। মোৰ মনেৰে এইটো চৰকাৰে নিজে ভোটাৰক জনাব লাগে। মোৰ মনত পৰে যে ইংৰাজৰ দিনত গাৱঁৰ গাওঁবুঢ়া সকলৰ দ্বাৰা ৰাইজক জনোৱা হৈছিল যে ইমান তাৰিখৰ ভিতৰত সেই অঞ্চলত ভোট হব। কিন্তু স্বাধীনতাৰ পিচত তেনে কোনো ব্যৱস্থা দেখা নাই। আজি কালি গাৱঁৰ মানুহে প্ৰাৰ্থী বা দলবিলাকে নজনালে কেতিয়া ভোট হব কব নোৱাৰে আৰু ভোটাৰ তালিকাত নাম আছে নে নাই সেইটোও প্ৰাৰ্থী বা দলৰ পৰাহে জানে। আজিকালি গাৱঁত গাওঁবুঢ়া আছে আৰু পঞ্চায়ত আছে। মোৰ পৰামৰ্শ সেই গাওঁবুঢ়া বা পঞ্চায়ত সভাপতিৰ যোগেদি গাৱঁৰ মানুহক জনাব লাগে যে ভোটাৰ তালিকাত নাম ভৰ্ত্তি হৈছে। আন গণতান্ত্ৰিক দেশত ভোটাৰ সকলক এখন কাৰ্ড দিয়ে আৰু সেইখনেই identity card হয়। আমাৰ মানুহ বিলাকক গণতান্ত্ৰিক ভিত্তিত আগবঢ়ায় আনিবলৈ তেনেকুৱা ব্যৱস্থা থাকিব লাগে। এইবাৰ দেখিলে শেষৰ সপ্তাহলৈকে নিৰ্বাচন বিভাগে ভোটাৰ তালিকা

দিব পৰা নাই। এইটো আছিল লোকসভাৰ নিৰ্বাচন, ৫০০/৬০০ ভোটাৰৰ কাৰণে একোটা কেন্দ্ৰ হৈছিল। সেই কাৰণে ৭ দিনৰ ভিতৰতে ভোটাৰ সকলক জনোৱাত বৰ অসুবিধা হৈছিল। এইবিলাক মই নিজে দেখা কথা কৈছো। এইবিলাকৰ যদি অনুসন্ধান কৰি প্ৰতিকাৰ নকৰে তেনেহলে মই মঞ্জুৰীটোৰ বিৰোধিতা কৰিছো। আশাকৰো চৰকাৰে মোৰ পৰামৰ্শসমূহ বিবেচনা কৰি সেইমতে ভৱিষ্যতে কাম কৰিব। এইখিনি কথাৰেই মই এই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিলো।

ইয়াৰ দ্বাৰা গণতন্ত্ৰৰ ক্ষমতা খৰ্ব্ব কৰা হৈছে। এইবাৰ মধ্যকালীন নিৰ্বাচনৰ সময়ত Election Commissionerএ এটা সুবিধা দিছিল যে, যিবিলাকৰ নাম ভোটাৰ তালিকাত নাই সেই সকলে নিৰ্দ্দিষ্ট formত চহী কৰিলে ভোটাৰ তালিকাত নাম ভৰোৱা হব। নগাওঁ জিলাৰপৰা আমি ৪৫ কিলো মিটাৰ দূৰৈত থাকো। ইমান দূৰৰ পৰা ভোট দিবলৈ অহা সম্ভৱ নহয়; ইয়াৰোপৰি নিৰ্ব্বাচনৰ নামত আৰু বহুতো বিভ্ৰাট ঘটিছে। হেডমাষ্টৰ শ্ৰীলুম্পকান্ত খাউণ্ডৰ পৰিবাৰক ভায়েকৰ পৰিবাৰ কৰি দেখুৱা হৈছে। গাৰীতুলি গাৱত ৫০ জন আহোম মানুহ আছে—৫০ জন কলিতা মানুহ দেখুৱা হৈছে। গতিকে আজি গণতন্ত্ৰ ৰক্ষা কৰিবলৈ হলে এই কথাবোৰ বাদ দিব লাগিব। গতিকে মই চৰকাৰক অনুৰোধ কৰো যাতে অহা মে' মাহত যি ভোটাৰ list কৰা হব তাত যেন এইবিলাকৰ সংশোধনী হয়। মাননীয় চৌধুৰী ডাঙৰীয়াই কৈছে যে ভোটাৰ কেন্দ্ৰ বঢ়াইছে কিন্তু এই ভোটাৰ কেন্দ্ৰ বঢ়োৱাৰ পৰা কোনো উপকাৰ হোৱা নাই। যিসকল লোকে ডেৰমাইল বা দুমাইলৰ ভিতৰত থকা ভোটাৰ কেন্দ্ৰত ভোট দিছিল—সেইসকলে এতিয়া ৪ মাইল দূৰৈত গৈ ভোট দিব লাগে। গতিকে এই সম্পৰ্কত আঞ্চলিক পঞ্চায়ত আৰু গাওঁসভাৰ সভাপতিৰ পৰামৰ্শ লব লাগে। আৰু ভোটাৰ কেন্দ্ৰ এনেভাৱে পাতিব লাগে যাতে মানুহৰ অহা যোৱা সুবিধা হয়। ভোটাৰ সকলক অন্ততঃ ১ মাহৰ আগতে জানিবলৈ দিব লাগে। গতিকে আগৰ বাৰতকৈ যেন এইবাৰৰ ভোটৰ পদ্ধতি উন্নত হয় তাৰ বাবে অনুৰোধ কৰিলো। ইয়াৰোপৰি দেখা গৈছে যে, ১৬ আৰু ১৭ বছৰৰ লৰা-ছোৱালীয়ে ভোট দিয়াৰ ব্যৱস্থা কৰা হৈছে। নিৰ্ব্বাচক

মণ্ডলীৰ পঞ্জীয়ক বিষয়াই কম বয়সীয়া লৰা-ছোৱালীক ২১ বা ২৩ বছৰ কৰি ভোট দিয়াইছে। এইবিলাক Challenge কৰিব লাগে।

( কোৰাম নাই। )

পূৰ্ববঙ্গৰ পৰা বহুতো শৰনাৰ্থী আমাৰ দেশলৈ আহিছে। তেওঁলোকৰ নাম ভোটাৰ listত আছে অথচ আমাৰ খিলঞ্জীয়া লোকসকল ভোটাৰ listৰ পৰা বাদ পৰিছে। গতিকে এইটোৰ সু-ব্যৱস্থা কৰিবৰ কাৰণে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Dulal Chandra Sarma—সভাপতি মহোদয় এই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি এই ক্ষেত্ৰত মই কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। প্ৰথম কথা হল আমাৰ গণতন্ত্ৰৰ নামত আমি নিৰ্ব্বাচন পাতো আৰু এই নিৰ্বাচনৰ যোগেদি আমি গণতন্ত্ৰ ৰক্ষা কৰিবলৈ বিচাৰো কিন্তু কাৰ্য্য ক্ষেত্ৰত দেখা গৈছে যে নিৰ্বাচন কমিটিক আজিকালি দুৰ্নীতিৰ ঘাই আহিলা হিচাবে ধৰা হৈছে আৰু নিৰ্বাচনৰ যোগেদি সমস্ত দেশতে দুৰ্নীতিক প্ৰশ্ৰয় দিয়া হৈছে।

মই কোনো Party বা দলক এই সম্পৰ্কে দোষাৰোপ কৰিবলৈ যোৱা নাই, কিন্তু মই নিজে যি জানো বা বুজিছো যে আমি যিমানেই চেষ্টা নকৰো প্ৰশাষণ নিকা কৰিবলৈ যিমানেই দুৰ্নীতি দূৰ কৰিবলৈ কিন্তু আজি নিৰ্বাচনৰ নামত দুৰ্নীতিক প্ৰশ্ৰয় দিয়া হৈছে। এইদৰে নিৰ্বাচন হলে গণতন্ত্ৰ কেতিয়াও জীয়াই থাকিব নোৱাৰে।

আজি নিৰ্বাচন পৰিগণিত হৈছে Election Commission ৰ নিৰ্দ্দেশ অনুযায়ী বা Chief Electional officer ৰ পৰামৰ্শ মতে আৰু এই পৰামৰ্শ বিলাক District বিলাকলৈ পঠোৱা হয় কিন্তু মই সেই বিলাক জানো কোনোবাই মানিছে? Election Commission ৰ স্পষ্ট নিৰ্দ্দেশ আছে যে ধৰ্ম্মৰ মন্দিৰত কোনো নিৰ্বাচন সভা বা অভিযান চলাব নোৱাৰি ধৰ্ম্মৰ নামত কোনো Mediaj কৰিব নোৱাৰি কিন্তু সভাপতি মহোদয়ে জানো এই পৰামৰ্শ মানিছে? ধৰ্ম্ম মন্দিৰ বিলাক হৈছে ভোটৰ কেন্দ্ৰ। ৰাতা-ৰাতি জাতি ধৰ্ম্মৰ নামত নিৰ্বাচন পৰিগণিত হৈছিল। সমস্ত ভাৰতবৰ্ষতে তিল তিলকৈ এই ব্যৱস্থাই খাই পেলাব। এই কথা সমস্ত ভাৰতবৰ্ষৰ নেতা সকলে বা ৰাজ্যিক পৰ্যায়ৰ নেতা সকলে জনা উচিত।

এইবাৰ নিৰ্বাচনৰ পাচত বিধান সভা চলি থকাৰ কাৰণে মই নিৰ্বাচন কামত যোৱা নাছিলো বা Counting ৰ কামতো অংশ গ্ৰহণ কৰা নাছিলো ; এই বাৰ মই নিজৰ এলেকাত ফুৰা-চকা কৰি দেখিলো যে নিৰ্বাচনে আমাৰ ভৱিষ্যত অন্ধকাৰ কৰি পেলাইছে। কংগ্ৰেছ পাৰ্টিয়ে আটাইকেইটা Set লাভ কৰাৰ কাৰণে সুখী হৈছে তাৰ কাৰণে আমাৰ হিংসা কৰিবলৈ একো নাই, কিন্তু এই নিৰ্বাচনৰ মাজেদি যি মাৰাত্মক বীজ চটিয়াই গল তাৰ প্ৰতিকাৰ কেতিয়াও কৰিব নোৱাৰিব। আজি মুখ্য মন্ত্ৰীয়ে বুকুত হাত দি বা কোনো দলে কব নোৱাৰে যে যোৱা নিৰ্বাচনত ৰাতা ৰাতি আন্ধাৰে মুন্ধাৰে গড়ৰ মাংস আনি মৰাকৰ পৰা অনা বুলি কৈ যি নেতা সকলে ৰাজনৈতিক প্ৰৰোচনাৰ প্ৰশ্ৰয় দিছিল সেইটো জানো ভাল কথা ? মুখ্য মন্ত্ৰীয়ো সদায় নাথাকে আৰু মইও নাথাকো আৰু পিচৰ বিলাকো নাথাকে। লাখ লাখ যুৱক-যুৱতিৰ মাজত যি বীজ সুমুৱাই দিলে সেই বীজ নিৰ্মূল কৰাতো সম্ভৱ নহব। এই অন্যায়ৰ বাবে আমাৰ নৰকুণ্ডটো ঠাই নোহোৱা হব।

জাতি বৰ্ণৰ নামত যি নিৰ্বাচন চলালে আৰু এই নিৰ্বাচনত যুৱক যুৱতি বিলাকক যে বেয়া কামত নিযুক্তি কৰিলে তাৰ দ্বাৰা সেই বিলাকক এতিয়া মূৰত তুলি দি নমাব নোৱাৰা হল। মই এটা উদাহৰণ দিব বিছাৰিছো সিদিনা মই অৱশ্যে ডিব্ৰুগড়ত আছিলো তেতিয়া যোৰহাটৰ পৰীক্ষা সংক্ৰান্তত যি ঘটনা হল তাত কোনো শিক্ষক বা অধ্যাপক বা আন কোনেও তেওঁলোকক কথা শুনাব নোৱাৰিলে। লৰা-ছোৱালী বিলাকৰ কাপোৰ কানী ফালী পেলালে যেতিয়া invaligetor ক মাৰপিট কৰিলে আৰু কোনেও তেওঁলোকক বিৰত কৰিব নোৱাৰিলে ইয়াৰ কাৰণে অকল ছাত্ৰ-ছাত্ৰী সকলেই দোষী নহয়। এইটো কথাই প্ৰমান কৰি দিছে যে আমাৰ মাজত শৃঙ্খলা নাই। ভাৰত বৰ্ষৰ প্ৰায় বিলাক শিক্ষানুষ্ঠান আজি এই একে অৱস্থাৰে সন্মুখীন হৈছে। Dibrugarh University, Guwahati university আৰু কৃষি বিশ্ববিদ্যালয় আৰু কলেজে কলেজে স্কুলে স্কুলে যিবিলাক ঘটনা হৈছে তাৰ কাৰণ মই নিজে অনুভৱ কৰা মতে কও যে নিৰ্বাচনেই ইয়াৰ মূল আৰু নিৰ্বাচনেই প্ৰশাসনৰ দুৰ্নীতিৰ ভেটি। নিৰ্বাচনত ক্ষমতাত অধিষ্ঠীত লোক সকলে নিৰ্বাচনৰ ক্ষেত্ৰত বহুতো বিষয়াক মুখ্য মন্ত্ৰীৰ অজ্ঞাতে হলেও নিৰ্বাচনৰ কামত

নিয়োগ কৰিছে আনকি তেওঁলোকৰ যোগেদি টকা পইচা তোলাৰো ব্যৱস্থা কৰিছে। বাকীযাই Procuding থকা মানুহৰ পৰাও টকা আদায় কৰা হৈছে। নিৰ্বাচনৰ ক্ষেত্ৰত আমি জানিবলৈ পাইছো যে এজন কলা ব্যৱসায়ীৰ পৰা প্ৰায় ডেৰলাখ টকা অনা হৈছে। সেইজন কোন? সেইজন হৈছে ৰফিউল্লা ব্ৰাদাৰ্চ ফাৰ্ম ডিব্ৰুগড়। এই ৰফিউল্লাৰ পৰা ডেৰলাখ টকা অনা হৈছে নিৰ্বাচনৰ কাৰণে।

সভপতি মহোদয়, আপুনি শুনি আচৰিত হব যে এই লোক জনেই অসম চৰকাৰক বছৰি ডেৰ কোটি টকাৰ মুল্যৰ Drugs supply কৰে আৰু নিৰ্বাচনৰ কাৰণে যিবিলাক আহিলা পাতিৰ Supply দিলে সেই বিলাকৰ চেলটেক্স এটা পইচাও দিয়া নাই। খুবুৰীত যিটো হত্যাকাণ্ড হৈ গল যদিও এই হত্যাকাণ্ড ৰাজখোৱাৰ দ্বাৰা সংঘটিত হৈছিল তাৰ লগত জৰিত থকা Black Ambassader গাড়ীৰ মালিক আছিল এই ৰফিউল্লা। আৰু সেই হত্যাকাণ্ডত তেখেতো জড়িত থকা লোক। এই লোক জনেই অসম চৰকাৰৰ পৰা ঔষধৰ লিষ্ট ভুৱা দি Aprovel কৰাই লৈ গৈছিল আৰু সেই সময়ত Medical Secretary এ সহায় কৰিছিল আৰু Finance Secretary এ Sales Tax ৰ ক্ষেত্ৰত সহায় কৰিছিল। সেই মানুহ জনেই মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ পৰম বন্ধু লোক। আৰু তেওঁ এজন মানুহক ৰক্ষা কৰিবৰ কাৰণে মুখ্য মন্ত্ৰীৰ ওচৰলৈ বাৰে বাৰে অহাযোৱা কৰিছিল আৰু চৰকাৰৰ Financial Commissioner জনে এই মানুহ জনক সহায় কৰিছিল। এই দৰেই প্ৰত্যেক নিৰ্বাচনতেই দুৰ্নীতিক আশ্ৰয় কৰি টকা সংগ্ৰহ কৰা হয়। এই সম্পৰ্কত কিবা কথা উঠিলে মুখ্য মন্ত্ৰী ডাঙৰীয়াই কয় যে সেই বিষয়ে তদন্ত কৰিম। মুখ্য মন্ত্ৰী ডাঙৰীয়া এজন ধৰ্ম্মপৰায়ন লোক তেখেতে বা তেখেতৰ সঙ্গীবৃন্দয় এই দুৰ্নীতিৰ কথা কেতিয়াবা ভাবি ছাইচেনে যাৰ ফলত আমাৰ গোটেই সমাজখনেই কলুষিত হৈছে। আৰু তেখেত সকলে ধৰ্ম্মৰ নামত শপত খাই কব পাৰেনে যে যোৱা নিৰ্বাচনটো free and fair হৈছে। আজি-কালি মুখ্যমন্ত্ৰী ডাঙৰীয়াই আগে পিচে escort লৈহে যায়। কিন্তু যেতিয়া আগতে escort নোলোৱাকৈ গাৰে-ভূঞে গৈছিল তেতিয়া মানুহে তেখেতক বুজি পাইছিল। মই এই কথাই কব

খুজিছো যে আমাৰ যিটো নিৰ্বাচন পদ্ধতি সেইটোৰ সম্পূৰ্ণ পৰিবৰ্ত্তন কৰিব লাগে। আমি যেতিয়ালৈকে আমেৰিকা বা গ্ৰেটবৃটেইনৰ সংবিধানৰ শাৰ অংশলৈ অনুশৰণ কৰিব নোৱাৰো আৰু যেতিয়ালৈকে আমাৰ ইয়াত দুৰ্নীতি থাকিব তেতিয়ালৈকে free and fair Election হব নোৱাৰে। আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি ব্যক্তিগত শ্ৰদ্ধা আছে কিন্তু আমাৰ যোৰহাটত যেতিয়া পাৰ্টিৰ কাৰণে টকা তুলিছিল তেতিয়া তেখেতৰ পদ্ধতিত দুৰ্নীতিৰ চাপ আছিল আৰু সেইবিলাক ব্যক্তি যি সকলৰ পৰা দুৰ্নীতিমূলকভাৱে টকা সংগ্ৰহ কৰিছিল তেওঁলোকেই যে পিচত সমাজক খুলি খুলি খাব সেই কথা— ভাবিব নোৱাৰাটো দুখৰ কথা। দেশৰ মুখ্যমন্ত্ৰী যিয়েই নহওক বা ৰাষ্ট্ৰখনৰ প্ৰধান মন্ত্ৰী যিয়েই নহওক গাদীৰ প্ৰতি প্ৰবল মোহ আছে আৰু এই মোহ আৰু মৰ্যদাই উঠি অহা Generationটোক তিল তিলকৈ ধ্বংস কৰিছে। এই মোহ বা Luxuaryৰ প্ৰতি মোৰ নিজৰেই ঘৃনা উপজিছে। আজি শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী মুখ্যমন্ত্ৰী হৈছে। ভগবানে কৰালে আকৌ হব। কিন্তু নৈতিক উন্নতিৰ কাৰণে বা সমাজৰ উন্নতিৰ কাৰণে কি কৰিলে বা নৈতিক অধঃপতনৰ কাৰণে কি ইন্ধন যোগ কৰিলে তাৰ প্ৰমাণ যোৱা নিৰ্বাচনেই দিলে। আমি নিজে কৰিব নোৱাৰিলেও পৰামৰ্শ দিব পাৰো। সেই কাৰণেই মই ভাবো যে আমাৰ সুস্থ নিৰ্বাচনৰ কাৰণে আমাৰ ব্যক্তিগত গুনৰ ওপৰত হয়ভৰ দিয়া আৰু বেয়া পদ্ধতি বাদ দিয়া আৰু Black marketiar বা দুষ্ট প্ৰকৃতিৰ মানুহৰ ওপৰত নিৰ্ভৰ নকৰা আৰু পাৰ্টিৰ নিজৰ শক্তিৰ ওপৰত নিৰ্ভৰ কৰি অভিযান চলোৱা হলে দেশৰ গণতন্ত্ৰ ৰক্ষা পৰিব, ভৱিষ্যতে দেশৰ উঠি অহা যুবক সকল একত্ৰীত হব আৰু দেশৰ কল্যান হব। সেই কাৰণে মই এই পৰামৰ্শ আগ বঢ়াব খুজিছো যে এই বিধান সভাৰ কালচোৱাৰ ভিতৰতেই যেন বিভিন্ন পাৰ্টিৰ লগত আলোচনা-বিলোচনা কৰি এটা code of conduct ৰচনা কৰিব লাগে। এই code of conduct নহলে যোনে যিমানেই শপত নাখাওক কিয় গাদিৰ মোহ আৰু টকাৰ মোহত পৰি দুৰ্নীতি দূৰ নহব।

মই ভাবো যে আজি তেনেকুৱা এটা ব্যৱস্থা ললেই কেৱল টকাৰ জৰিয়তেই নিৰ্বাচন চলাবলৈ যায় তেনেহলে গণতন্ত্ৰ ৰক্ষা হব নোৱাৰে আৰু কেৱল দুৰ্নীতিকহে প্ৰশ্ৰয় দিয়া হব। আমি যদি আলোচনা কৰি code of

conduct'ৰ কিছুমান ব্যৱস্থা কৰিব পাৰো তেনেহলে তাৰ দ্বাৰাই শা-শপত খাই হলেও যাৰ নৈতিকতাৰ জ্ঞান লেশমাত্ৰও নাই যি কোনো কথাকে নৈতিক দিশৰ পৰা মানিব নোখোজে সিও হয়তো এইবিলাক কথা মানি-মেলি চলিব পাৰে।

তাৰ লগে লগে নিৰ্বাচনী খৰচ যি দেখুওৱা হৈছে সিও অলপ বেছি হৈছে। তাৰোপৰি মই ভাৱো আমাৰ শ্ৰদ্ধাস্পদ শ্ৰীচৌধুৰী ডাঙৰীয়াইও কৈছে যে নিৰ্বাচনৰ সময়ত প্ৰস্তুত যিবিলাক list প্ৰস্তুত কৰে তাতো দুৰ্নীতিমূলক কথা-বতৰা চলি আছে। পয়চা দিলেই listত নাম ভৰ্ত্তি কৰে। এইবিলাক তলৰ lavelত ঘটি থকা স্বত্তেও কোনো ভাল পৰ্য্যবেক্ষন নকৰাৰ ফলতেই হয়তো আজি কোনে জানে—গুৱাহাটী মহানগৰতেই হয়তো ১৮ হেজাৰ ভোট এজন প্ৰাৰ্থীয়ে পোৱা হলে তেও হয়তো জিকি যাব পাৰিলে-হেঁতেন। অকল বৃহত্তৰ গুৱাহাটীতেই এই ১৮ হেজাৰ ভোট নাইকীয়া হবলৈ কেনেকৈ পালে? যোৰহাট সমষ্টিতেই এনে বহু ধৰণৰ ঘটনা ঘটিবলৈ পালে। দলৰ ভিতৰত দলা-দলি। তাৰোপৰি ভোটাৰ listত নাম নাই। Deputy Commissionerএ আমাক মাতি লৈ ভোটাৰ কেন্দ্ৰ থিক কৰিবলৈ। কেন্দ্ৰ ঠাক-থিক হৈও গল। কিন্তু ভোট দিবলৈ মাত্ৰ ৩ দিন মান আছে তেনেকুৱাতে দেখা গল যে—এখন গাৱৰ ৰাইজে ৮ মাইল আতৰত ভোট দিবলৈ যাব লাগে। গাড়ীত উঠাও মানা। গতিকে বহুতো বিলাক মানুহ ভোট দিবলৈ যাব নোৱাৰিলে। এইটো কাৰ দিহা-পৰামৰ্শ মতে কৰা হ'ল। কেন্দ্ৰৰ স্থান নিৰ্ণয়ৰ সিদ্ধান্ত কৰোতে যি প্ৰতিনিধি আছিল. তাৰ পিছত তাক পৰিবৰ্ত্তনৰ সিদ্ধান্ত কৰিবলৈও তেওঁ-লোকৰ লগত সিদ্ধান্ত কৰিব লাগিছিল। সিদ্ধান্ত নকৰাকৈ এই পৰিবৰ্ত্তন কৰিবলৈ তেওঁলোকৰ কি অধিকাৰ আছিল। কাৰ নিৰ্দ্দেশ মতে কাৰ দিহা পৰামৰ্শ মতে এই স্থানান্তৰৰ কাম কৰা হ'ল। মই ভাৱো এই ধৰণৰে জনসাধাৰণক তেওঁলোকৰ নায্য গণতান্ত্ৰিক অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে। আৰু এটা কথা আমাৰ মূখ্য মন্ত্ৰীয়ে জানেনে নেজানে কব নোৱাৰো। সেইটো হৈছে যে কংগ্ৰেছ মহলৰ ফালৰ পৰাই হওঁক বা অন্য কোনো কাৰণতেই হওঁক ভোটৰ বাকচটো কিছুমান গণ্ডগোলৰ সৃষ্টি হৈছে। প্ৰমানস্বৰূপে তিনিটা

কেন্দ্ৰৰ ভিতৰত এটাত ৭টা ভোট বেছি ওলাইছে, এটাত ৩টা আৰু আন এটা কেন্দ্ৰত যিমান Caseত হৈছিল তাতকৈ ৪টা ভোট বেছি ওলাইছে। আৰু ভোটাৰ কাগজ খিনি তিনিটা Centre তে গণ্ডগোল হৈছে। এটা কেন্দ্ৰত আতাইখিনি গৰুৰ Symbol ত stam মৰা কাগজ একেলগে সোমোৱাই দিয়াত হিচাবেই ওলাইছে। এই বিলাক কথাৰ এটা বিশেষ ধৰণৰ তদন্ত কৰিবলৈ অনুৰোধ জনাইছো। মুখ্যমন্ত্ৰীক জনাইছো যে যোৰহাটতেই নিৰ্বাচন সংক্ৰান্তত যি বিলাক ঘটনা উদ্ঘাটিত হৈছে সি অত্যান্ত দুখদায়ক। সভাপতি মহোদয়, একেবাতিৰ ভিতৰত সৃষ্টি হোৱা এক শ্ৰেণীৰ পাৰত গজা কংগ্ৰেছী লোকৰ কাৰণেও এই ঘটনাবোৰৰ উদ্ভৱ হৈছে বুলি মই ভাবো। আজি যিটো বৃহত্তৰ কংগ্ৰেছ অনুস্থান ২৪/২৫ বছৰ ধৰি চলিছে ভৱিষ্যতে সি হয়তো আৰু নতুন ৰূপত, নতুন ধৰণেৰে শম কৰিব পাৰে। গণতন্ত্ৰ আজি গান্ধীজীৰ নামত চলা এনে এটা বৃহত্তৰ অনুষ্ঠানত এই ধৰণৰ একে-ৰাতিৰ ভিতৰতে পাৰত গজা কিছুমান কংগ্ৰেছী লোকক আগভাগ দিয়া হৈছে। তেওঁলোকৰ ইস্তাহাৰ আকৌ সকলোৱে নেপাইও। আমাক হয়তো পৰৱৰ্ত্তী নিৰ্বাচনত ৰাইজে rejectও কৰিব পাৰে তেতিয়াও আমি আনন্দ পাম। কাৰণ আমি Professional politician হবলৈ নিবিছাৰো। কিন্তু আমাৰ লৰা-ছোৱালীবিলাকক নিৰ্বাচনৰ নামত মদ ভাত খুৱাই নষ্ট কৰাৰ অধিকাৰ তেওঁলোকে কত পালে। চাকৰি দিম বুলি লৰাবিলাকক Electionৰ কামত খটুৱালে কিন্তু এতিয়ালৈকে তেওঁলোকক কোনো কামত নিয়োগ কৰিব নোৱাৰিলে। আজি ৮ লাখ/১৩ লাখ নিবনুৱা আমাৰ মাজত আছে। সেইবিলাক নিবনুৱাৰ তেনেকুৱা এটা অৱস্থাৰ সুযোগ লৈ তেওঁলোকক মাতি নাহিলেও কোনো চাকৰি দিব নোৱাৰে। সেই লোকবিলাক শোচনীয় অৰ্থনৈতিক দুৰৱস্থাৰ সুবিধা লৈ ৮/১০/১২ বছৰীয়া unhealthy mental conditionৰ সুবিধা লৈ সেই স্কুল, কলেজীয়া লৰাবিলাকক মদ ভাত খুৱাই Electionৰ কামত লাগিবলৈ চাকৰিৰ প্ৰলোভন দি আজি চৰকাৰ চলোৱাৰ প্ৰয়াস এই চৰকাৰে ক'ত পালে ? পুলিচে arrest কৰি ৮/১০ মাহ জেলত থোৱা চৰকাৰী চাকৰিয়ালে চাকৰি কৰিয়েই আছে। কাৰণ electionত তেওঁলোকে কংগ্ৰেছক সহায় কৰিছিল। সেই কাৰণেই মই যোৰহাটৰ ঘটনাৰ পৰিপ্ৰেক্ষিততেই চৰকাৰক অনুৰোধ কৰো যেন—official

land ত chief election officer বা election commissioner ৰ যোগদি পৰিস্থিতি বিলাক যাতে communal trend ৰ ফালে যাব নোৱাৰে তাৰ আশু ব্যৱস্থা লব লাগে। আজি আমাৰ মূখ্য মন্ত্ৰী মন্ত্ৰী হৈ থাকিলেও বা নাথাকিলেও আমাৰ young generation টোক বিভ্ৰান্ত কৰি যেন কোনো দলীয় লোকে নিজৰ স্বাৰ্থ সিদ্ধিৰ প্ৰয়াস নেপায় তাৰ কাৰণে কাৰ্য্যকৰী ব্যৱস্থা লব লাগে। সেয়ে হলে পৰবৰ্ত্তী নিৰ্বাচনত আমি সুবিধা পাব পাৰো। আমাৰ পৰলোক গত হৰিনাথ বড়াৰ সতে আমি দুয়ো একেলগে গৈ Public meeting পৰ্য্যন্ত কৰিবও পাৰিছিলো। অথচ আমাৰ ভিতৰত কোনো ধৰণৰ গণ্ডগোল হোৱা নাছিল। এতিয়া এই বিলাক ঘটনা কেনেকৈ হবলৈ পাইছে? কাৰ প্ৰৰোচনাতেই বা হৈছে জনাবনে? গতিকে মই মূখ্যমন্ত্ৰীক অনুৰোধ জনাও যেন তেখেতে official land দি যোৰহাটত সংঘটিত হোৱা ঘটনা-ৱলীৰ অনুসন্ধান কাৰ্য্য আৰম্ভ কৰিব পাৰে। দ্বিতীয়তে যিবিলাক ঘটনা হবলৈ পাইছে তাৰ সন্দৰ্ভত District land ত থকা Skeliton election authority টো ২/১ জন কমাই হলেও তাক strengthon কৰিব লাগে যাতে যোৱা election ৰ পিছত যিবিলাক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে সেইবিলাক যেন অহা election ৰ আগে আগে নিৰ্মূল হৈ যায়। বাইজে যাতে গণতন্ত্ৰৰ মূলবস্তু ভোট দানৰ সা-সুবিধা পায় তাৰ কাৰণে আশু ব্যৱস্থা লবলৈ মূখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Shri Upendra Nath Sanatan—সভাপতি মহোদয়ে, কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধিতা কৰি দুষাৰমান কব খুজিছো। নিৰ্ব্বাচনত খৰছ কৰিব লগীয়া টকাৰ যিটো প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱটো পাচ হবই লাগিব। আনহাতে কওঁ যে ভোটাৰ লিষ্টখন যেনেদৰে হব লাগিছিল ঠিক তেনেদৰে হোৱা নাই। এইটো কথা ঠিক যে কিছুমান বয়সীয়াল মানুহৰ নাম ভোটাৰ লিষ্টত নাই আৰু কম বয়সীয়া মানুহৰ ভোটাৰ লিষ্টত নাম আছে আৰু থাকিলেও স্বামী পিতা আদিৰ নাম অদল-বদল হৈছে। ইয়াৰ এটা ব্যৱস্থা চৰকাৰে সোনকালে লব লাগে। অন্যহাতে ভোট লোৱা কেন্দ্ৰবোৰ বহুত দুৰত দিয়া হয় যাতে ভোটাৰ সকলে ভোট দিব যাব নোৱাৰে আৰু কোনোবা গলেও নাম নথকাত বা স্বামী পিতাৰ নাম গন্দগোল হোৱাত ঘূৰি আহিব

লগীয়া হয়। আমি দেখিছো ১৯৫০ চনতে যাৰ নাম ভোটাৰ লিষ্টত আছে আজি মৰা ১০ বছৰ হ'ল যদিও এতিয়াও ভোটাৰ হৈয়ে আছে কিন্তু যাৰ ভোট দিয়াৰ যোগ্যতা আছে তাৰ ভোটাৰ লিষ্টত নাম নাই। যোৱা মধ্য কালীন নিৰ্ব্বাচনত এইটো পৰিলক্ষিত হৈছে যে মানুহে এতিয়া বুজিছে কোন জনক ভোট দিলে দেশৰ কল্যাণ হব। নিৰ্ব্বাচন বিলাকত কিছুমান দলে দুখীয়া নীৰিহ সকলৰ ওপৰত অত্যাচাৰ চলায় গতিকে ইয়াৰ চৰকাৰে যথোচিত ব্যৱস্থা লব লাগে। আমি জনামতে অন্যান্য দলৰ সদস্য সকলে নীৰিহ সকলক মাৰধৰ কৰে। আমি শুনিবলৈ পাইছো যোৱা নিৰ্ব্বাচনত যোৰহাটত এজন চাহ মজদুৰৰ সহকাৰী সম্পাদকক বৰ বেয়া ব্যৱহাৰ কৰিছিল। এই বিলাকৰ পৰা এতিয়া সকলো মানুহে বুজি উঠিছে কাক ভোট দিলে দেশৰ কল্যাণ হব। বহুতো সদস্যই কৈছে যে ৰাতি মদ খুৱাই ভাত খুৱাই ভোট আদায় কৰে, কিন্তু ভোট দিয়ে দিনতহে কিন্তু মদ খোৱা ভাত খোৱা সদায়ে চলি আছে ই নতুন কথা নহয়। ইয়াৰ যুক্তি যুক্ততা বুজিব পৰা নাই আৰু ই সাধুকথা যেন লাগে। গতিকে জুৱা খেলত হৰাৰ নিচিনা নিৰ্ব্বাচনত হাৰি কোনো দলক বদনাম দিয়া উচিত নহয় যিহেতু আজিৰ ৰাইজে বুজি পাইছে কাক ভোট দিলে কল্যাণ হব। গতিকে কওঁ যে নিৰ্ব্বাচনৰ সময়ত মানুহে মাইক বজাই লেকচাৰ দিয়ে কিন্তু এইটো কথা ঠিক নহয় যে কংগ্ৰেছ দলেহে অকল ঘোচ খাই টেক্স ৰেহাই দিয়ে ইত্যাদি। নিৰ্বাচনত অন্যান্য দলৰ সদস্য সকলে চাহ বাগানৰ মজদুৰ সকলক মাৰিব পিতিব এইটো সমৰ্থন কৰিব নোৱাৰো।

Shri Dulal Chandra Barua—কোনে কাক মাৰিলে ?

Mr. Chairman—Order, order, please. I request the hon. Member Shri Barua to hear patiently what the hon. Member speaks. I hope he will give opportunily to other Members to speak without any interruption.

Shri Upendra Nath Sanatan—গতিকে এই কথাবিলাক পাৰ্টিৰ মাজত থাকিব নালাগে। ভবিষ্যতে যাতে এনে অত্যাচাৰ উৎপীড়ণ হব নোৱাৰে তাৰ কাৰণে চৰকাৰে উচিত ব্যৱস্থা লব লাগে। আজি ২২।২৩

বছৰৰ মূৰত জনগণই সুন্দৰ ভাৱে বুজি পাইছে কাক ভোট দিলে উপকাৰ হব। ভোটাৰ লিষ্টখন যিবোৰ গণ্ডগোল তাক ঠিক কৰিব লাগে কিয়নো যোৱা নিৰ্বাচনত কংগ্ৰেছ দলক ভোট দিয়াৰ ইচ্ছা থকা স্বত্বেও ভোটাৰ লিষ্টত নাম নহোৱা কাৰণে বহুতে ভোট দিব পৰা নাই। জনসাধাৰণে যি পাৰ্টিক ভাল দেখিছে তাকে সমৰ্থন কৰিছে। কিছুমান মানুহে ৰাতিৰ ভিতৰতে কংগ্ৰেছত Join কৰিছে—কিয় নকৰিব। কংগ্ৰেছৰ মানুহ বিলাক ভাল, ব্যৱহাৰ ভাল, সেই কাৰণে ভাল সমাজে join কৰিবই। আজি জনসাধাৰণে এই কথা ভালকৈ বুজিছে। সেই কাৰণে ৰাতিৰ ভিতৰতে join কৰিছে।

গতিকে মই চৰকাৰক অনুৰোধ কৰিছো যে নিৰ্বাচনত ভোটৰ list বিলাক ভালকৈ তৈয়াৰ কৰিব লাগে। এই list বিলাক ভাল হোৱা হলে কংগ্ৰেছ আৰু বহুত বেছি ভোট পালেহেঁতেন। গতিকে যিবিলাক অফিচাৰে election list তৈয়াৰ কৰোতে গণ্ডগোল কৰিছে তেওঁলোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা কৰিব লাগে যাতে ভৱিষ্যতে বেমেজালি নহয় তাৰ কাৰণে চৰকাৰে বিবেচনা কৰিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰণি কৰিলোঁ।

Shri Moneswar Boro—অধ্যক্ষ মহোদয়, মই এইটো পঢ়ি দিছোঁ ( Memorandum on the Budget Estimates of the Govt. of Assam for the year 1971-72 ).

"In view of the General Election to Lok Sabha the Revised Estimate is increased. The budget is increased due to preparation of the electoral rolls for the 5th General Election to the State Assembly in 1972".

Speech not corrected.

এতিয়া কথা হৈছে যিখিনি টকা খৰছ হৈ গল প্ৰকৃততে কাম কৰা হৈছে নে নাই? যিখিনি ভোটৰ লিষ্ট নাম দিছে, তাত ঠিকমতে কাম হোৱা নাই। বিশেষকৈ মই ডেপিলি মৌজাৰ ট্ৰাইবে গাওঁ এখনৰ কথা কব খুজিছো। তেওঁলোকে ১৯৬৭ চনত ভোট দিছিল, কিন্তু এতিয়া ভোটৰ লিষ্টত নাম নাই; এইটো কেনেকৈ হব পাৰে? অকল এইয়ে নহয় মোৰ সমষ্টিৰ মানুহে ভোট

দিবলৈ গৈ ভোটৰ কেন্দ্ৰৰ পৰা খণ্ড কৰি গুচি আহিছে—"১৯৬৭ চনত ভোট দিছো এতিয়া কিয় নাম নাই"। এতিয়া P. T. C. নতুন পাৰ্টি গঠন হৈছে। ভৱিষ্যতে কংগ্ৰেছক পাৰ্য্যমানে ভোট দিবৰ বাবে নিৰ্দ্দেশ দিছিল। ভোটৰ লিষ্ট গাঁও সভাৰ চেক্ৰেটাৰীৰ দ্বাৰা কৰা হৈছে। তেওঁলোক কিছুমান ৰাজনৈতিক নেতাৰ প্ৰভাৱত পৰি সেইটো কাম কৰিছে। এই বিলাক কাম চৰকাৰী চাকৰিয়াল নিয়োগ কৰি কৰা হলে তেওঁলোকে চাকৰিৰ ভয়ত নিশ্চয় ভালকৈ কাম কৰিলেহেতেন। কিন্তু পঞ্চায়তৰ চেক্ৰেটাৰী চৰকাৰী চাকৰিয়াল নহয়। গতিকে তেওঁলোকক কি কৰিব পাৰে ? গতিকে অহাবাৰৰ ভোটৰ তালিকা Correction কৰাৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা মানুহ পঠাব লাগে। দ্বিতীয় কথা হৈছে বিশেষকৈ Back ward section ৰ মানুহে ভোট দিয়াৰ পদ্ধতি নাজানে, বেঙ্গলী সম্প্ৰদায়ৰ লোকে miss নকৰে। ভোটৰ Centre ত গৰু-গাই, গছৰ পাত বিচাৰি ফুৰে আৰু বেলেট Box ত এনেই বেলেট পেপাৰ সোমাই থৈ আহে। গতিকে কেনে ধৰণে ভোট দিব লাগে, সেই পদ্ধতিতো শিকাবৰ বাবে Training ৰ ব্যৱস্থা কৰিব লাগে। আন এটা কথা হল অলপতে পিয়ল হৈ গল, কিন্তু আচলতে মানুহৰ সংখ্যা বৃদ্ধি হৈছে।

কাৰণ ধৰি লওক বৰপেটাৰ পৰা মানুহ এজন আহি তামোলপুৰত আছে। তেওঁৰ হিচাব তামোলপুৰতো কৰিছে আৰু বৰপেটাতো আছে। গতিকে এনেকুৱা ধৰণৰ বেপাৰী মানুহৰ যাতে দুবাৰ হিচাব নহয় তাৰ ব্যৱস্থা কৰিব লাগে।

সিদিনা অলপতে Electionৰ সময়ত মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়া তামোলপুৰলৈ গৈছিল তাত তেখেতে ৰাইজৰ আগত এনেকুৱা বক্তৃতা দিলে যে ট্ৰাইবেল লোকৰ ভোট নহলেও আমাৰ কংগ্ৰেছৰ Candidate জিকিবই। এইটো অৱশ্যে মই সৰ্বসাধাৰণ ৰাইজৰ পৰা শুনা কথাহে। দৰাচলতে তাত এটা P. T. C. party নতুনকৈ গঠন হৈছে। কিন্তু কেনেকৈ কংগ্ৰেছে ভোট বেছি পাইছে সেই কথা চৰকাৰে চিন্তা কৰি চাইছেনে ? এইটো কথা কোৱাৰ কাৰণে বহুতো ট্ৰাইবেল লোকে কংগ্ৰেছক ভোট নিদিলে। যদি আৰু তিনিটা Reserve seat থাকিলে হেঁতেন তেন্তে কংগ্ৰেছে বাগৰি গলহেঁতেন আৰু

যদি এইটো কথা নোকোৱা হলে কংগ্ৰেছে আৰু বেছি ভোট পালেহেঁতেন।

Shri Mahendra Mohan Choudhary—শুনা কথাৰ ওপৰত ভিত্তি কৰি গুৰুতৰ অভিযোগ অনাটো উচিত নহয়।

Mr. Chairman—বাহিৰা মানুহৰ কথা শুনি ডাঙৰ কথা কব নালাগে।

Shri Maneswar Boro—সত্য কথা। নাওঁপেটাৰ ৰাইজে ৬০০/৭০০ টকা খৰছ কৰি Get বান্ধি থৈছিল। মূখ্যমন্ত্ৰী যাব বুলি ৰখি আছিল। গধূলী তেখেত গৈ ওলাল। তেখেতে নিজৰ গাড়ী এৰি তেতিয়া শ্ৰীৰসুমতাৰীৰ লগত গুচি গল। মন্ত্ৰী হৈ সেই Get টোত থামিবৰ কাৰণে বিবেকে নেখেলালে নেকি? গতিকে এনেকুৱা ভৱিষ্যতে যাতে নহয় তাৰ কাৰণে চৰকাৰক অনুৰোধ কৰি মই বহিলো।

Shri Premodhar Bora—সভাপতি ডাঙৰীয়া, আমাৰ দেশখন গণতান্ত্ৰিক বুলি কোৱা বহুত দিন হল আৰু গণতন্ত্ৰ ৰক্ষাৰ বাবেই নিৰ্বাচন পতা হৈছে। মোৰ ধাৰণা যে নিৰ্বাচনৰ কাৰণেই নিৰ্বাচন পতা হৈছে। গণতন্ত্ৰ ৰক্ষাৰ বাবে নিৰ্বাচন পতা হোৱা নাই। কাৰণ আমি দেখিছো যে, ভোটাৰ তালিকাত ১৫ বছৰীয়া লৰা ছোৱালীবোৰ ভৰ্ত্তি কৰা হৈছে। গতিকেই আজি মই কব খুজিছো যে, নিৰ্বাচনৰ বাবেহে নিৰ্বাচন কৰা হৈছে। গতিকে মই ভাৱো এই বিষয়ে ভাল ধৰণে চিন্তা কৰিব লাগে আৰু আমাৰ মন্ত্ৰী সকল নিৰ্ব্বাচনৰ সময়ত যাব নালাগে। ৰাইজে যাকে ভাল পায় তেওঁকেই নিৰ্ব্বাচিত কৰিব গতিকে মন্ত্ৰী কিয় যাব লাগে। গতিকে প্ৰথমেই মই ভাবিছো যে, মন্ত্ৰী সকলে গাড়ী লৈ যাতে Party programme নকৰে তাৰ বাবে অনুৰোধ কৰিলো। ইয়াৰোপৰি চৰকাৰী চাকৰিয়াল সকলে চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাচত Politics কৰিছে। এই চাকৰিয়াল সকলে চাকৰি বাদ দি যাতে Politics নকৰে তাকে অনুৰোধ কৰো। যদি এই খুটি-নাটি বিলাক আতৰাব পাৰে তেতিয়াহে প্ৰকৃত নিৰ্ব্বাচন হব। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Benoy Krishna Ghose—মাননীয় সভাপতি মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি দুআষাৰ কবলৈ আগ বাঢ়িছো। প্ৰথম কথা ভোট

Speech not corrected

দিয়া অধিকাৰ এটা গণতান্ত্রিক অধিকাৰ। আজি দেখা গৈছে থাকিব লগীয়া বহুতো মানুহৰ নাম ভোটৰ তালিকাত নাই। আৰু এইদৰেই তেওঁলোকক গণতন্ত্রৰ অধিকাৰৰ পৰা বঞ্চিৰ কৰা হৈছে। গতিকে চৰকাৰে এইটো গুৰুত্ব-পূৰ্ণ দায়িত্ব হিচাবে লৈ যাতে কোনো উপযুক্ত ব্যক্তি ভোটাৰ তালিকাৰ পৰা বাদ নপৰে তাৰ বাবে চকু দিব লাগে। কাৰ্য্যক্ষেত্ৰত চৰকাৰে অৱহেলা কৰিছে আৰু ফল স্বৰূপেই বহুলোকৰ ভোটাৰ list ৰ পৰা বাদ পৰিছে। ইয়াৰোপৰি ভোটাৰ কেন্দ্ৰবিলাক যাতে নিয়মীয়া ভুৱত্বত হয় আৰু সকলো মানুহৰে অহা যোৱাত অসুবিধা নহয় তাৰ বাবে চকু ৰাখিব লাগে। এই সকলো আসোৱাহ দুৰ কৰি চকু দিব লাগে আমাৰ বহুতো ভোটাৰে তেওঁ-লোকৰ নাম list ত আছেনে নাই সেই কথা নাজানে।

(কোৰাম নাই)

গতিকে সময়মতে প্ৰত্যেক ভোটাৰে যাতে গম পায় তাৰ ব্যৱস্থা কৰি দিব লাগে। নিৰ্ব্বাচনৰ বাবে মন্ত্ৰী সকল গৈ Canvas কৰিব নালাগে। আৰু ভোট হোৱা এমাহৰ আগতে এই চৰকাৰ Dissolve কৰি দিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Soneswar Bora—মাননীয় সভাপতি মহোদয়, দুৰ্নীতি পূৰ্ণ কংগ্ৰেছ শাসনৰ নিকা নিৰ্ব্বাচন আমি আশা কৰিব নোৱাৰো। তথাপিও আমি আমাৰ কথা কৈ যাব খুজিছো। যোৱা মধ্যকালীন লোকসভাৰ নিৰ্ব্বা-চনে প্ৰমাণ কৰিছে এই চৰকাৰ কিমান দুৰ্নীতিপূৰ্ণ। ভোট গণনাৰ কাম Chief Electoional officer ৰে প্ৰথমে ঘোষণা কৰিলে যে, গোটেই পাৰ্লিয়া-মেণ্ট সমষ্টিটোৰ বেলট পেপাৰ একে ঠাইতে গোটোৱা হব আৰু গণনা হব। কিন্তু এনে এটা ৰাজনৈতিক অৱস্থাৰ সৃষ্টি হল যে সেই প্ৰথা ততাতৈয়াকৈ বদলোৱা হল। আনহে নেলাগে কোনো কোনো ৰিটাৰনিং অফিচাৰে ভোটৰ দিনালৈকে ভোট কেনেকৈ গণনা হব কব নোৱাৰে। পাছত খবৰ আহিল যে, প্ৰতি এছেমব্লী সমষ্টিৰ ভোট কেন্দ্ৰবোৰৰ ভোট একগোট কৰা হব আৰু গণনা হব। এই প্ৰথা বিপদজনক। ভোট গণনা, ভোট লোৱা দিনৰ পৰা প্ৰায় ১০/১২ দিন পিছুৱাই দিয়া হল। বহুত ঠাইত ভোটৰ বাকচ বদলোৱা হল আৰু কংগ্ৰেছ জীকাৰ ব্যৱস্থা কৰা হল। এইটো এটা দুৰ্নীতি। এইবাৰ মধ্যকালিন

নিৰ্বাচনত ভোট লোৱাত এনেকুৱা দুৰ্নীতিও হৈছে যে, যিবিলাক ভোটৰ ৭০০ বা ৮০০ বা তেনে পৰিমানৰ ভোট আছে তাৰ প্ৰিজাইডিং অফিচাৰ সকলৰ বহুতৰে হাতত হেজাৰ বাৰশ বা দুই হেজাৰ পৰ্য্যন্ত বেলেট পেপাৰ দিয়া দেখা গল। তাৰোপৰি যত এটা বাকচৰহে আৱশ্যক আছিল তেনে ঠাইত ৪ বা ৬টা পৰ্য্যন্ত ভোটৰ বাকচ দিয়া দেখা গৈছিল। এই বিলাকেয়ো দুৰ্নীতি কৰাৰ ব্যৱস্থা হৈছিল।

আনহাতে গোটেই চৰকাৰি যন্ত্ৰটোকে নিৰ্বাচনত লগোৱা হৈছিল। এইবাৰ নিৰ্বাচন চৰকাৰী অফিচাৰ সকলেই এক ৰকম খেলিলে। গণতান্ত্ৰিক পদ্ধতি যাতে নিৰ্ধাচনৰ অন্ততঃ এমাহৰ আগতে কেন্দ্ৰ আৰু ৰাজ্যিক চৰকাৰ সমূহে ইস্তাফা দিব লাগে আৰু তাৰ ঠাইত তত্বাৱধায়ক চৰকাৰ পতাৰ সাংবিধানিক নিয়ম হব লাগে। নহলে নিৰ্বাচনত চৰকাৰী দুৰ্নীতিৰ পৰা হাত সাৰিব নোৱাৰি। অন্যান্য গণতান্ত্ৰিক ৰাষ্ট্ৰত এনে পদ্ধতি বহন কৰা হয়। ভোটাৰ লিষ্টৰ গণ্ডগোল সম্পৰ্কে আমাৰ মাননীয় সদস্য সকলে কৈছে। মই সেই সকলক লগত একমত। এনেকুৱাও উদাহৰণ আছে যে যোৱা বছৰ পঞ্চায়তৰ চেক্ৰেটাৰী সকলক যেতিয়া ভোটৰ লিষ্ট সংশোধন কৰিবলৈ দিয়া হৈছিল এই চেক্ৰেটাৰী সকলবো বহুতে ৰাজনিতি আৰম্ভ কৰিলে। আনকি আগৰ বছৰ তেনে চেক্ৰেটাৰী হৈ থকা কালৰ সভাপতি জনবো এইবাৰ ভোটৰ লিষ্টত নাম নাই। সভাপতিৰ পৰিয়ালৰ লোকৰো নাম বাদ পৰিল। এনে বহুত জীয়াই থকা লোক যোৱা কেয়োটা সাধাৰণ নিৰ্বাচনত ভোট দিছে অথচ এইবাৰৰ লিষ্টত নাম নাই।

ভোটৰ লিষ্ট নতুনকৈ তৈয়াৰ কৰাৰ সময়ত মই বিশেষকৈ নগৰ সীমান্ত ৰাইজৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। নগা সীমান্তত গণনাকাৰী সকলে নিৰাপদে ভোট গণনা কৰিব পাৰিবনে নাই সন্দেহ আছে। যোৱা ৩ এপ্ৰিল তাৰিখে গোলাঘাটৰ চিনিয়ৰ E. A. C. জনে লগত কেইবাজনো লোকলৈ লোক গণনাৰ কাম কৰোতে নগা চিপাহীয়ে E. A. C. জনৰ হাতৰ পৰাই লোক গণনাৰ কাগজ পত্ৰবোৰ কাঢ়ি নিলে। এতিয়াও ভোট গণনাৰ সময়ত গণনা কৰি বা ৰাইজৰ ওপৰত নগাই উৎপাত কৰিব পাৰে। সেই আহ্বানত চোকা ৰক্ষনা বেক্ষন নিদিলে প্ৰকৃত ভোট গণনা নহবও পাৰে।

আনহাতে কেইবা হাজাৰো প্ৰাপ্তবয়স্ক লোক নগা সীমান্তত বসতি কৰি আছে গতিকে চৰকাৰে দৃঢ় ব্যৱস্থা লব লাগে।

আনহাতে হৈ যোৱা লোকসভাৰ মধ্যকালীন নিৰ্বাচনৰ অভিজ্ঞতাৰে পুণৰ এটা কথা কব খোজো যে যদি দেশত মুক্ত আৰু শুদ্ধ নিৰ্বাচন হব লাগে তেতিয়া হলে নিৰ্বাচন হোৱা ঠাইতে ভোট গণনা হব লাগিব। প্ৰিজাইডিং অফিচাৰ সকলকে এই ক্ষমতা দিব লাগে। প্ৰত্যেক প্ৰণালীৰে প্ৰতিনিধি সাক্ষ্যত ৰাখি এই গণনা কৰিব পৰা যাব। ভোটৰ বাকচ কাঢ়ি নিয়াৰ কোনো ভয় নেথাকে বুলিয়েই মই ভাবো। কাৰণ পদ্ধতিত নিৰ্বাচন সমূহৰ অনেক প্ৰাৰ্থী একোটা কেন্দ্ৰত আছে ক'তো গণ্ডগোলটো নহয়। এই-দৰে গণনা কৰিলে দুৰ্নীতিৰ পৰা হাত সাৰিব পৰা হব। ইয়াকে কৈ কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Shri M. Shamsul Huda—চেয়াৰমেন মহোদয়, এই নিৰ্বাচন কৰিছে কংগ্ৰেছ দলে আৰু এই দুৰ্নীতি চৰকাৰী, বেচৰকাৰী কেও ফালে কৰা হৈছে। আমি ভোটৰ তালিকা প্ৰস্তুত কৰিবলৈ মাহত সুবিধা কৰি দিছিলো কিন্তু ভোটাৰৰ তালিকাত শতকৰা ৩০ ভাগ কমি গৈছে। কাৰণ তালিকাৰ পৰা বহুত নাম বাদ দিয়া হৈছে। আগেয়ে ভোট দিয়া আৰু জীয়াই তাতেই থকা স্বত্বেও list ৰ পৰা বাদ দিয়া হৈছে। উদাহৰণ স্বৰূপে লাহৰিঘাট সমষ্টিত যোৱা বাৰ ৬৯৯টা আছিল আৰু এইবাৰ হল ৫১০। ১০০ ভোট কমি গৈছে। কিন্তু গাওঁত তদুপৰি নতুনকৈ যিবিলাক আবেদন পত্ৰ list ভুক্ত হব লাগে সেই সকল সকলো বাদ পৰিছে। আৰু এই Crase method কৰা হৈছে যিসকলে দৰ্খাস্ত কৰিছিল তেওঁলোকৰ বাবে hearing দিয়াৰ ব্যৱস্থা হৈছিল কিন্তু ইয়াৰ বাবে উত্তৰেই পোৱা নগল। যি সকলে নেকি গাওঁ পঞ্চায়তৰ জৰিয়তে পইছা দিলে, তেওঁলোকৰহে নাম ভৰ্ত্তি হল। আৰু ৩ টকাকৈ যিয়ে দিব নাম এনেয়ে list ভুক্ত হব। কোনো কাগজ পত্ৰ বা নথি-পত্ৰৰ প্ৰশ্ন নাহে। ইয়াৰ প্ৰমাণ দিম তেওঁলোকে মন্ত্ৰী সভা পাতক এই দুৰ্নীতিৰ মূলতে হৈছে চৰকাৰ। চৰকাৰে টকা পইচা বা আন বস্তুৰ প্ৰলোভন দেখোৱা দুৰৰ কথা মাৰপিট কৰিবলৈও লগাই দিছে। হৰাচুদ্দিন

নামৰ লৰা এটাও লগতে আছিল। তেওঁলোকে কলে R. C. P. ধৰি খুব পিটিলো কি কৰিলে? ইয়াৰ পাচত ৭/৩/৭১ তাৰিখে হাবাচুদ্দিনৰ ঘৰত জুই লগাই দিয়া হল। কিন্তু আজিলৈ গ্ৰেপ্তাৰ হোৱা নাই। এই যে গণতান্ত্রিক এয়াহিয়া খান

Chairman—Shri Rathindra Nath Sen Mr. Huda. Please close up your speech within 5minutes.

Shamsul Huda—আৰু ১০ মিনিট লাগিব।

The House stands adjourned till 2 P. M. Shri Huda will continue.

## Adjournment

The House then adjourned for lunch till 2 P. M.

M. Shamsul Huda—অধ্যক্ষ মহোদয়, মই কৈছিলো যে যিভাবে নিৰ্ব্বাচন পতা হল আৰু কংগ্ৰেছ চৰকাৰে যি গণতন্ত্ৰৰ নমুনা দেখুৱালে সি জেনেৰেল ইয়াহাখানৰ গণতন্ত্ৰকো চেৰ পেলাইছে। নিৰ্বাচন আইনৰ ৬৪ ধাৰা মতে কোনো ভোটাৰৰ নাম কাটিবলৈ হলে তেওঁক জাননি দিব লাগে। কিন্তু কংগ্ৰেছ চৰকাৰে যাহা তাহা ভোটাৰৰ নাম কাটিছে কোনো জাননি নিদিয়াকৈ। স্বেচ্ছাচাৰী ভাৱে নাম কাটিছে।

এই চৰকাৰে চৰম সাম্প্ৰদায়িকতাৰ প্ৰশ্ৰয় দিছে। হিন্দু এলেকাতো গৈ কৈছে যে ভাৰতবৰ্ষত হিন্দুৰ ৰাজত্ব অটুত ৰাখিবৰ কাৰণে শ্ৰীলীলা শৰ্ম্মাক ভোট দিব লাগে আৰু মুছলমান এলেকাত কৈছে যে শ্ৰীমতী ইন্দিৰা গান্ধীৰ গিৰীয়েক ৺ ফিৰোজ মুছলমান, তাৰোপৰি শ্ৰীফকৰুদ্দিন আলি আহম্মেদ এজন বিশ্বস্ত মন্ত্ৰী আছে আৰু দ্বিতীয় এজন মুছলমান মন্ত্ৰী হোৱাৰ খুব সম্ভাবনা আছে। সেই কাৰণে শ্ৰীমতী ইন্দিৰা গান্ধীৰ দলকহে ভোট দিব লাগে। এইদৰে নিৰহ নিৰক্ষৰ লোক সকলক ফুচুলাইছে। বঙ্গ ভাষাভাষী সকলৰ মাজতো এইদৰে প্ৰচাৰ কৰিছে।

ইন্দিরাজী আমাদের সাধন বাবুকে Minister করেছেন। সুতরাং ইন্দিরাজীকে ভোট দাও। নইলে বিপদ হবে। বাঙালী Minister দের নাম কাটা যাবে ইত্যাদি।

এইবাৰ কৰ্মচাৰী সকলেও নিৰ্লজ ভাবে ভোট সংগ্ৰহ কৰিছে। নগাৱ জিলাত বুথ বিলাক এনেদৰে কৰিছে যে চিল মৰা মেজখন মুকলি ঠাইত ৰাখিছে আৰু চিল মৰা সকলোৱে দেখি থাকে। তাৰোপৰি বেৰত ফুটা কৰি লৈছে আৰু সিপাৰে কংগ্ৰেছে গুণ্ডা ধৰণৰ মানুহ লগাই সিপাৰৰ পৰা কংগ্ৰেছক ভোট দিব লাগিব বুলি সকিয়াই থাকে। এই বিলাক আপত্তি কৰিলে বাহিৰ কৰি দিয়ে। এইটো যহায়া খানৰ গণতন্ত্ৰ হৈছে। এইদৰে হলে ইয়াৰো ছেখ মুজিবুৰ ৰহমানৰ আবিৰ্ভাব হব। এই নিৰ্বাচনত পঞ্চায়তৰ বিষয় ববীয়া যেনে বি-দি-ও আৰু সভাপতি আদি জীপত গৈ গাৱে গাৱে কয় "এইবাৰ হাইমাড্ৰাচাৰৰ বাবে টকা দিব আৰু কংগ্ৰেছক ভোট দিব লাগিব"। চৰকাৰে এইদৰে পুঁজি দি ভোট সংগ্ৰহ কৰিছে। যিবিলাকে টেষ্ট ৰিলিফৰ কাম কৰিছে তেওঁলোকক টকা ভোটৰ আগত নিদিয়ে। পিচত দিব। কাৰণ যিবিলাকে কংগ্ৰেছক ভোট নিদিয়ে তেওঁলোকক টকাও নিদিয়ে বা টকা ৰাটিছে। এইদৰে তেওঁলোকে গণতন্ত্ৰৰ অৱসৰ ঘটাবলৈ কৌশল কৰিছে। এতিয়া তেওঁলোক টকাৰ যে গৰম হাৱা ৰখি থাকোতেই ইটো নিৰ্বাচনো পাতিব লাগে। আগতে চেপ্তেম্বৰত পাতিব খুজিছিল এতিয়া শুনিছো অক্টোৱৰত পাতিব। এইবাৰো যদি তেনেকুৱা হয় তেনেহলে ভাৰতবৰ্ষতো ছেখ মুজিবুৰ ৰহমানৰ আবিৰ্ভাব হব আৰু অপ্ৰীয় ঘটনা হয়তো দেখিবলৈ পাব, সেই কাৰণে গণতন্ত্ৰৰ পদ্ধতিত নিৰ্বাচন পাতিব লাগিব। ইয়াকে কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো।

*Shri Mahendra Mohan Choudhury— (Chief Minister) অধ্যক্ষ মহোদয়, এই মঞ্জুৰীৰ প্ৰস্তাৱ সংক্ৰান্তত, নিৰ্বাচনৰ মঞ্জুৰী সংক্ৰান্তত আমাৰ কেইবা গৰাকী মাননীয় সদস্যই কিছুমান গঠনমূলক পৰামৰ্শ আগবঢ়াইছে। আৰু যোৱা মধ্যকালীন নিৰ্বাচনৰ সময়ত হোৱা কিছুমান সমালোচনা আগবঢ়াইছে। এটা ডাঙৰ সমালোচনা হৈছে যে, আমাৰ ভোটাৰ লিষ্টত বহুতো ভোটাৰৰ নাম বাদ পৰি গৈছে। লোক সভাত এই বিষয়ে আলোচনা হৈছে। বহুতো ঠাইত অভিযোগ তোলা হৈছে যে, যি পৰিমানে ভোটাৰ list ভুক্ত হব লাগে সেই পৰিমাণৰ হোৱা নাই। কিছুমান বাদ পৰি গৈছে। আমাৰ যি ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্ক হৈছিল সেই সময়তো এই বিষয়ে আলোচনা কৰিছো। আমাৰ এই নিৰ্বাচন অলপ খৰটকীয় কৰিব

লগা হ'ল। এই নির্বাচনৰ কাৰণে আমাৰ কিমান সময় প্ৰয়োজন হব লাগিছিল সিমান সময় পোৱা নগল। কিন্তু ভোটাৰ list সংক্ৰান্তত ভুল হৈছে বুলি মই মানি লব নোৱাৰো। কিছু যে ভুল হৈছে সেইটো কথা ঠিক। কথা হল যে আমাৰ ভোটাৰ list বিলাক অতি অস্থায়ী ভাৱে তৈয়াৰ কৰা হল আৰু বচৰে বচৰে এই list বিলাক সংশোধন কৰা হওক। সংশোধন কৰাৰ সময়ত যিবিলাক মানুহৰ নাম ভোটাৰ list ৰ পৰা বাদ পৰি গৈছে সেই বিলাকক সোমাই লোৱাৰ বাবে সুবিধা দিয়া হওক। আমাৰ এই যোৱা বছৰ ১৯৭০ চনৰ ১৫ নৱেম্বৰতে তেনে এটা বিজ্ঞপ্তি দিয়া হৈছিল। যে ভোটৰ list নতুনকৈ তৈয়াৰ হৈছে আৰু ১৯৭১ চনৰ ১৫ জানুৱাৰীৰ ভিতৰতে যিবিলাক মানুহ ভোটাৰ list ৰ অন্তৰ্ভুক্ত হব খোজে তেওঁলোক সোমাব পাৰে। তাৰ পাচত মধ্যকালীন নিৰ্বাচন ঘোষণা কৰা হ'ল। ১৯৭০ চনৰ ২৭ ডিচেম্বৰত লোকসভা ভংগ কৰি দিয়া হল আৰু নতুনকৈ নিৰ্বাচন ঘোষণা কৰা হ'ল। তাৰ পাচত আৰু এখন notice যোগে ১৯৭০ চনৰ পহিলা জানুৱাৰীত যিসকল লোক ২১ বছৰ পাৰ হৈছে, আৰু যি সকলৰ নাম ভোটাৰ list ৰ পৰা বাদ পৰি গৈছে সেই সকলে ১৯৭১ চনৰ ১৮ জানুৱাৰীৰ ভিতৰত নাম ভৰ্ত্তি কৰাব পাৰে। এই কথা বাতৰি কাকতত প্ৰকাশ কৰা হৈছিল আৰু radio যোগেও জনাই দিয়া হৈছিল। এই জাননী অনুসৰি ৫৪, ২৭৮ জন ভোটাৰ list ৰ পৰা বাদ পৰি যোৱা মানুহে দৰ্খাস্ত কৰিছিল আৰু তদন্ত কৰি ৩৬,০৭২ জন মানুহক ভোটাৰ list ৰ অন্তৰ্ভুক্ত কৰা হৈছিল। গতিকে ভোটাৰ list ৰ অন্তৰ্ভুক্ত হবলৈ সুবিধা পোৱা নাই এই কথা মই সম্পূৰ্ণভাৱে গ্ৰহণ কৰিব নোৱাৰো। আমাৰ যিবিলাক নিৰ্বাচক মণ্ডলী আছে সেইবিলাকেও সময়মতে ভোটাৰ list ত অন্তৰ্ভুক্ত হোৱাত বেছি গুৰুত্ব নিদিয়ে। ইয়াৰ ফলত বহুতো মানুহ ভোটাৰ তালিকাৰ পৰা বাদ পৰি গৈছে। মই আমাৰ সদস্য সকলক কৈছো যে, অহা সাধাৰণ নিৰ্বাচনৰ আগতে যাতে ভোটাৰ list সংশোধন কৰা হয় তাৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিম। এই বিষয়ে আমি মাত্ৰ চৰকাৰী বিষয়াৰ ওপৰতে নিৰ্ভৰ কৰা নাই, পঞ্চায়তৰ যিবিলাক কাৰ্য্যকাৰক আছে তেওঁলোকেও যাতে ভোটাৰ list ত নাম নথকা মানুহৰ নাম যাতে অন্তৰ্ভুক্ত কৰে তাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হব।

দ্বিতয় অভিযোগ হ'ল যে ভোট কেন্দ্ৰবিলাক ঠিকমতে হোৱা নাই।

কোনো কোনো ক্ষেত্রত মই পৰীক্ষা কৰি চাইছো যে, আৰু কোনো কোনো ভোট কেন্দ্ৰ বহুত দূৰে দূৰে হৈছে আৰু এচবৰ মানুহ বিলাকে ওচৰৰ ভোট কেন্দ্ৰত ভোট দিবলৈ পোৱা নাই। দূৰৰ কেন্দ্ৰত গৈ ভোট দিবগৈ লাগে। এইটো দূৰ কৰিবলৈ চেষ্টা কৰিছো। ভোট কেন্দ্ৰ নিৰ্ধাৰণ কৰাৰ সময়ত ৰাজনৈতিক দল বিলাকে আলোচনা কৰে আৰু কোনো কোনো ঠাইত এনে ধৰণৰ আলোচনা হোৱাৰ কথা মই জানো। মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰাই কৈছে যে, কোনো কোনো ঠাইত এই ব্যৱস্থা গ্ৰহণ কৰে যদিও ভোট হোৱাৰ প্ৰায় ৩ দিন মানৰ আগতে ভোটাৰ কেন্দ্ৰ বদলাই দিয়ে। গতিকে এই কথাত মই একমত হব নোৱাৰো। যিবিলাক ভোট কেন্দ্ৰ প্ৰথমতে নিৰ্দ্ধাৰণ কৰা হৈছে সেই বিলাক বদলি কৰাৰ কোনো প্ৰমাণ মই পোৱা নাই। এই বিষয়ে তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই প্ৰস্তুত আছো। ইয়াৰোপৰি আমাৰ যি খবৰ আছে সেইমতে আমাৰ ৰাজনৈতিক নেতাই ভোট কেন্দ্ৰ বিলাক নিৰ্দ্ধাৰণ কৰিছে। কোনো কোনো ঠাইত কাম পলম হোৱাৰ বাবে আৰু প্ৰতিনিধি সকল নিৰ্ব্বাচনৰ কামত বিশেষ ব্যস্ত থাকিব লগা হোৱা কাৰণে ভোট কেন্দ্ৰৰ বেমেজালী ঘটিব পাৰে। গতিকে বৰ্ত্তমানে ভোট কেন্দ্ৰত যিবিলাক গণ্ডগোল চলিছে, সেই বিলাক যাতে ভবিষ্যাত দূৰ কৰিব পাৰি তাৰ বাবে বিবেচনা কৰিম। আৰু বিৰোধী দলৰ সদস্য সকলৰ লগতো এই বিষয়ে পৰামৰ্শ কৰি যাতে ওচৰৰ মানুহে ওচৰতে ভোট দিব পাৰে তাৰে ব্যৱস্থা কৰিবলৈ চেষ্টা কৰিম।

চৌধুৰী ডাঙৰীয়াই কৈছিল যে ভোট সমন্ধে ভোটাৰক গাওঁবুঢ়াৰ যোগেদি জনাই দিব লাগে। আমাৰ প্ৰত্যেক ঠাইতে ৰিটাৰনিং অফিচাৰে কোন ঠাইত ভোট হব এই সকলো কথা পৰিপাটিকৈ লিখি পঞ্চায়ত আৰু Circle অফি-চাৰৰ যোগেদি ঘোষণা কৰি দিয়ে। Political party য়েও ভালকৈ প্ৰচাৰ কৰে। গতিকে ভোটাৰে ভোট কেন্দ্ৰৰ কথা নজনাতো মই গ্ৰহণ কৰিব নোৱাৰো।

এটা কথা আমাৰ চৌধুৰী ডাঙৰীয়াই কৈছে যে ভোট কত দিয়া হব, ভোটৰ কেন্দ্ৰ কত হব কোনে ভোট দিব ইত্যাদি সকলো জনাই এখন কাৰ্ড দিয়াটো গ্ৰহণ যোগ্য আৰু তাৰ লগতে এখন Passport photo দিলে আৰু ভাল হব তেতিয়া সেই কেন্দ্ৰত অইনে ভোট দিবলৈ আহিলে সেইটো

হ'ৱা প.ৰিব, এই বিষয়ে আমি Chief section offrcerৰ লগত পৰামৰ্শ কৰিম।

গোস্বামী ডাঙৰীয়াই কৈছে যে কিছুমান ভুল মানুহৰ নাম প্ৰকাশ কৰা হয় আৰু Listত মানুহৰ নাম ভুলকৈ প্ৰকাশ হৈ থাকে, তেখেতে উল্লেখ কৰিছে—যে ছুগৰাকী মহিলাৰ গিৰীয়েকৰ নাম ভুলকৈ প্ৰকাশ কৰিছে, এইটো অৱশ্যে Printing mistakeক হব পাৰে যাতে এই সাধাৰণ গোলমালৰ কাৰণে ভোটাৰে ভোট দিয়াৰ পৰা বঞ্চিত নহয় সেইটো চোৱা হব।

আৰু এটা কথা কৈছে যে আমাৰ ভোটাধিকাৰৰ বয়স ১৮ বছৰ হব লাগে কিন্তু বৰ্ত্তমান আমাৰ ভোটাধিকাৰৰ বয়স ২১ বছৰ সংবিধান অনুসৰি এই অধীকাৰ পাইছে। গতিকে এতিয়া ১৮ বছৰ বয়স কৰিবলৈ হলে সংবিধান সংশোধন কৰিব লাগিব, সেইটো আমাৰ ক্ষমতাত নাই লোকসভাৰহে আছে, লোকসভাত আমাৰ যিবিলাক প্ৰতিনিধি আছে তেখেতসকলৰ যোগেদি এই কথা জনোৱা হব।

আৰু এটা কথা কৈছে যে কম বয়সৰ মানুহৰ নাম ভোটাৰ Listত আছে। আমাৰ এটা নিয়ম আছে যেতিয়া প্ৰাথমিক ভোটাৰ List তৈয়াৰ কৰা হয় আৰু প্ৰকাশ হয় তেতিয়া প্ৰতিবাদ কৰিলে সেইটো সংশোধন কৰা হয় কিন্তু Final list তৈয়াৰ হৈ প্ৰকাশ হোৱাৰ পাছত সেইটো আৰু সংশোধন কৰা নহয়। অৱশ্যে ভোট দিয়াৰ সময়ত Challenge দিয়াৰ কথা আছে, কিন্তু কেতিয়াবা ২১ বছৰৰ কম বয়সীয়াই ভোট দিবলৈ যাওতে ধৰা টান, কিন্তু ১৪ বছৰীয়া বয়সীয়া মানুহে যদি ভোট দিবলৈ যায় তাক ধৰিবলৈ বা Challenge দিবলৈ Presiding officerয়ে ব্যৱস্থা গ্ৰহণ কৰিব।

অধ্যক্ষ মহোদয়ে আৰু এটা কথা কৈছে যে কিছুমান Rifugee আছে তেওঁলোকে Citizenship certificate পোৱা নাই, Voter listৰ পৰা বাদ পৰি গৈছে। এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰা নিৰ্দ্দেশ আছে, আমাৰ যিবিলাক বিফুজী আহিছে সেইবিলাক Voter listত অন্তৰ্ভুক্ত কৰিবৰ কাৰণে এটা বেলেগ Procudure নিদ্ধাৰণ কৰা হৈছে। সেইকাৰণে মই কব খুজিছো ১৯৬৮ চনৰ আগতে যিবিলাক বিফুজী আহিছিল সেইবিলাকৰ কোনো গোলমাল নাই তাৰ পাচত অহা বিলাকে Citizenship Certi-

ficate পাবলৈ হলে দৰ্খাস্ত কৰিব লাগিব নহলে ভোটৰ Listত নাম অন্তৰ্ভূক্ত হব নোৱাৰে।

*Speech not corrected

**Shri Atul Chandra Goswami**—১৯৬৪ চনতে যিসকল আহিছিল সেই সকলেতো কিছুমান বাদ পৰি গৈছে।

**Shri Mahendra Mohan Choudhury**—যি সকলৰ card আছে তেখেতসকলৰ ভোটাৰ Listত নাম অন্তৰ্ভূক্ত কৰা হৈছে।

আমাৰ বৰুৱা ডাঙৰীয়াই কেইটামান গুৰুত্বপূৰ্ণ অভিযোগ আনিছে আৰু সেইবোৰ প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছে। কিন্তু সেইবিলাক আলোচনা কৰি সিদ্ধান্ত কৰিব পৰা নাই। সকলো ৰাজনৈতিক দলৰপৰা পৰামৰ্শ আহিছে আৰু সেইমতে এখন Code of conduct স্বীৰ কৰা হৈছে আৰু সেইমতে নিৰ্বাচনৰ প্ৰচাৰ কাৰ্য্য চলাব লাগে এই পৰামৰ্শ গ্ৰহণ যোগ্য। আমাৰ বিৰোধীদলৰ সকলো নেতাৰ লগতো এই বিষয়ে আলোচনা কৰা হব। কেৱল অসমৰ ৰাজনৈতিক ক্ষেত্ৰতেই নহয় সমগ্ৰ ভাৰতবৰ্ষতেই হব লাগে। গতিকে যিবিলাক সৰ্ব্বভাৰতীয় ৰাজনৈতিক দল আছে সেই সকলে আলোচনা কৰিলে সেই বিষয়ত বহুখিনি আগবাঢ়ি যাব পৰা যাব।

তাৰ পাচত কৈছে টকা-পইচা সংগ্ৰহৰ কথা, যি কোনো Partyয়ে নিৰ্ব্বাচনীৰ কাৰণে পূজি সংগ্ৰহ কৰিব পাৰে—অৱশ্যে এই পুঁজি সংগ্ৰহ কৰোতে কোনো ৰকমৰ প্ৰলোভন দেখুৱাব নালাগে। তেখেতে কৈছে এজন ঠিকাদাৰৰ পৰা ডেৰলাখ টকা দিয়া বুলি আৰু তাৰ প্ৰতিকাৰ হিচাবে স্বাস্থ্যবিভাগৰপৰা সেই ঠিকাদাৰজনক License দিয়া হৈছে আৰু সেই ঠিকাদাৰজনক Sell Taxৰ পৰাও ৰেহাই দিয়া হৈছে। মই অৱশ্যে এই বিষয়ে কি হৈছে কব নোৱাৰো, তেখেতে যি অভিযোগ আনিছে সেই বিষয়ে মই বিচাৰ কৰি চাম।

Election expenseৰ বিষয়ত বৰা ডাঙৰীয়াই যিটো উল্লেখ কৰিছে সেইটো থিক, গতিকে Peoplis Representation Act মতে যি পৰামৰ্শ বা নিৰ্দ্দেশ দিয়া আছে সেইমতে কামত আগবাঢ়িলে এই দুৰ্নীতিবোৰ আতৰ কৰিব পৰা যাব। সেইকাৰণে কেন্দ্ৰীয় চৰকাৰে এই বিষয়ে বিবেচনা কৰি

আছে আৰু Ac'খন সংশোধন কৰা হৈ গলে এই দুৰ্নীতি যিবোৰ আছে সেইবোৰ দূৰ কৰিব পৰা যাব।

যোৰহাটৰ তিনিটা নিৰ্ব্বাচনী কেন্দ্ৰত যিমানবিলাকে ভোট দিছিল সেই বিষয়ে মই আজি প্ৰথম শুনিছো এনে ধৰণৰ অভিযোগ Bombayটো হোৱা বুলি শুনিছো।

মই প্ৰথম শুনিছো যে যোৰহাটৰ তিনিটা নিৰ্বাচনী কেন্দ্ৰত যিমান মানুহে ভোট দিছিল তাতকৈ বহুত বেছি বেলেট পেপাৰ দিয়া হৈছিল। আৰু এটা কথা উল্লেখ কৰিছে যে একে লগে তিনিখনকৈ বেলেট পেপাৰ দিয়া হৈছিল অৱশ্যে বোম্বেইত এনে ধৰণৰ ঘটনা হোৱা বুলি শুনিছো। কিন্তু আমাৰ ইয়াত যি তিনিটা কেন্দ্ৰৰ কথা কৈছে সেই কেইটাৰ কথা পিচত মই দিব পাৰিম। এতিয়া মোৰ হাতত নাই।

আমাৰ কংগ্ৰেছত বহুতো অবাঞ্চিত লোক ৰাতা-ৰাতি আহি সোমাইছে বুলি অভিযোগ কৰিছে। এইটো অকল কংগ্ৰেছ দলতেই নহয় বাকী দল বিলাকতো এনে ধৰণেৰে মানুহ সোমাই আছে। আমাৰ কংগ্ৰেছৰ সংবিধান মতে যি কোনো মানুহেই আহি যদি বৰঙণি আদি দিয়ে তেওঁলোক যদি কোনো সাম্প্ৰদায়িক বা কোনো অনুষ্ঠানৰ লগত জড়িত নাথাকে তেনেহলে তেওঁলোকক কংগ্ৰেছত অন্তৰ্ভুক্ত কৰিব পাৰি। এইদৰে যদি কোনোবা আহিব খোজে তেনেহলে আহিব পাৰে। ইয়াৰ বিৰুদ্ধে যদি কোনোবাই অবাঞ্চিত প্ৰচাৰ কাৰ্য্য চলাই তেনেহলে তেনেলোকৰ ওপৰত সাস্তি মূলক ব্যৱস্থা লব পৰা যায় আৰু এটা কথা বৰুৱা ডাঙৰীয়াই উল্লেখ কৰিছে যে election officeৰ সংখ্যা কম। শ্ৰীগোস্বামী ডাঙৰীয়াই উল্লেখ কৰিছে যে কেইবা খনো জিলাত বিশেষকৈ নগাও জিলাত এজনহে আছে আৰু সেই সকলেই যিবিলাক বাদ পৰা মানুহ তেওঁলোকে দৰ্খাস্ত দিলেও সেই বিলাক তদন্ত কৰিবলৈ সময় নাথাকে সেই কাৰণে election officer সংখ্যা বঢ়াই দিব লাগে। কেনেকৈ এই সমস্যাটো সমাধান কৰিব পাৰি সেই বিষয়ে চিন্তা কৰা হব।

(এটি স্বৰ Sub-division খুলি দিয়ক)

মাননীয় সদস্য শ্ৰীমনেশ্বৰ বৰো ডাঙৰীয়াই কৈছে যে এখন গাও ভোটাৰ

লিষ্টৰ পৰা বাদ পৰি গৈছে। কোন কোন গাওঁ বাদ পৰিছে এই কথা জনালে তদন্ত কৰা হব। আৰু এটা কথা কৈছে যে প্লেইনচ ট্ৰাইবেলৰ যি বিলাক সদস্য আছে তেওঁলোকক চৰকাৰৰ লগত ফণ্ডি কৰি লিষ্টৰ পৰা বাদ দিছে। মই কব খুজিছো যে এইটো চৰকাৰৰ ইচ্ছা নহয়। চৰকাৰৰ ফালৰ পৰা যিমানেই ভোটাৰৰ সংখ্যা বেচি হয় সিমানেই ভাল হয় আৰু যাতে এজনো মানুহ বাদ নপৰে তাৰ কাৰণে চেষ্টা কৰে। এই মৰ্ম্মে কৰ্মচাৰীসকলক নিৰ্দ্দেশ দিয়া হৈছিল। তেখেতসকলে কৈছে যে কেনেকৈ ভোট দিব লাগে ভোটাৰবিলাকে নাজানে। সেই কাৰণে ভোটাৰসকলক training দিয়াৰ ব্যৱস্থা কৰিব লাগে। যেতিয়া প্ৰতিকত ভোট দিয়াৰ কথা হৈছিল তেতিয়াই সেই বিষয়ে চৰকাৰে প্ৰশিক্ষণ দিছিল। ১৯৫২-৫৭-৬২ আৰু ৬৭ চনত সেইদৰেই ভোট দি আহিছে আৰু অলপতে মধ্যকালীন নিৰ্ব্বাচনত অংশগ্ৰহন কৰি আহিছে।

(এটি স্বৰ: এই প্ৰশিক্ষন অফিচাৰ সকলক দিছিলনে ভোটাৰ সকলক দিছিল?) যেতিয়া প্ৰতিক ভোট দিয়াৰ কথা Introduce কৰা হল তেতিয়া নিৰ্ব্বাচন বিভাগৰ কৰ্ম্মচাৰীসকলে গাৱে-ভুঞে গৈ কেনেকৈ ভোট দিব লাগে মানুহক দেখুৱাই দিছিল।

Shri Dulal Chandra Barua—এইটো একেবাৰেই ভুল। এনে ধৰনে ভুল কতো কৰা হোৱা নাই।

Shri Mahendra Mohan Choudhury—প্ৰথমতে ভোট চিম্বলৰ বাকচত দিবলগীয়া হৈছিল। পাচত প্ৰতীক ভোটত কেনেকৈ চাপ মাৰি দিব লাগে সেই কথা কৰ্ম্মচাৰী সকলে ৰাইজক ভালকৈ বুজাই দিছিল। যেতিয়া প্ৰথমতে ১৯৫৭ চনত চিম্বলত চাপ মাৰি ভোট দিয়াৰ কথা কৈছিল তেতিয়া মানুহে ভুল কৰিছিল। কিন্তু তাৰ পাচত ১৯৬২-৬৭ চনত ভোট দিয়াৰ পৰা নিৰ্ব্বাচক মণ্ডলীয়ে ধৰি ললে যে মানুহে ভোট দিব পাৰিব। গতিকে এনেকুৱা অৱস্থাত যদি কিবা ভুল হৈছে সেইটো আমি কব নোৱাৰো।

আৰু এটা কথা কৈছে যে আমাৰ কিছুমান মানুহৰ দুঠাইত ভোটাৰ তালিকাত নাম ৰাখিছে। সেইটো বন্ধ কৰা নাই। কিন্তু এইটো কথা থিক

যে এজন মানুহে এঠাইতহে ভোট দিব পাৰে। গতিকে এজন মানুহৰ যদি দুঠাইত ভোট থাকে তেতিয়া কোনো এটা ঠাইত যত ভোট দিব ঠাই ঠিবাং কৰি দিব লাগিব আৰু ভোটাৰ হবলৈ হলে যি ঠাইত ভোট দিব সেই ঠাইত অন্ততঃ ৬ মাহ বসবাস কৰি থাকিব লাগিব। এইদৰে ৬ মাহ বসবাস কৰি থাকিলে যি কোনো মানুহেই যি কোনো ঠাইতেই ভোট দিব পাৰিব।

Shri Moneswar Boro—কথা হৈছে যে এজন মানুহে দুঠাইত ভোট দিব নোৱাৰে—কিন্তু ভোটাৰ লিষ্টত নাম থকা একেজন মানুহেই কেনেকৈ বৰপেটা আৰু তামোলপুৰত ভোট দিব পাৰিলে ?

Shri Mahendra Mohan Choudhury—এটা একে ৰকমৰ নিৰ্বাচনত দুঠাইত ভোট দিব নোৱাৰে। মোৰো দুটা ভোট আছে এটা বৰপেটাত আৰু এটা গুৱাহাটীত ঠিক সেইদৰে সকলো সদস্যৰে থাকিব পাৰে কিন্তু কোন ঠাইত ভোট দিব সেইটো বাচি লব লাগে। দুঠাইত দিব নোৱাৰে।

Shri Maneswar Boro—তেতিয়া হলে অসমত যে Population বাঢ়িছে সেইটো কেনেকৈ জানিব ?

Shri Mahendra Mohan Choudhury—সেইটো তেখেতে ভুল কৰিছে কাৰণ ভোটাৰ লিষ্টৰ পৰা জনসংখ্যা নিৰ্ণয় নহয়।

M. Shamsul Huda—ভোটাৰ লিষ্টত এটা clause থাকে যে কোন ঠাইত ভোট দিব। এখন ঠাইৰ পৰা অন্য এখন ঠাইলৈ Transfer লব পাৰে এইটো কৰোতে এঠাইত কাতি নিদিয়ে।

Shri Mahendra Mohan Choudhury—মই কৈছো যে যে দুঠাইত ভোট দিব নোৱাৰে।

মাননীয় সদস্য শ্ৰীপ্ৰেম বড়াই কৈছে যে নিৰ্ব্বাচনী অভিযানত মন্ত্ৰী সকলে চৰকাৰী গাড়ী ব্যৱহাৰ কৰিছে। এই কথাটো মই সিদিনাও কৈছিলো আৰু ৰাজ্যপালৰ ভাষণৰ উত্তৰতো কৈছিলো যে আমি চৰকাৰী গাড়ী ব্যৱস্থা কৰা নাই। আনকি আমাৰ শ্ৰীগোস্বামী ডাঙৰীয়াইও কৈছে যে "আপোনিও চৰকাৰী

গাড়ী ব্যৱহাৰ কৰিছে।” কিন্তু মই কওঁ যে যোৱা ২৬ জানুৱাৰী তাৰিখৰ পৰাই মই কোনো চৰকাৰী গাড়ী ব্যৱহাৰ কৰা নাই।

Shri Atul Chandra Goswami—দিনত পঞ্চায়তৰ মিটিং উদ্বোধন কৰিছে আৰু ৫টা বজাৰ পিছত চৰকাৰী গাড়ী লৈ নিৰ্বাচনী কাম কৰিছে।

Shri Mahendra Mohan Chaudhury—যদি কোনোবা জেগাত নিৰ্ব্বাচনী কাম কৰিব লগা হয় তেন্তে চৰকাৰী গাড়ী ব্যৱহাৰ কৰিব নোৱাৰাটো আমাৰ নিৰ্দ্দেশ আছে আৰু মন্ত্ৰী সকলে সেই নিৰ্দ্দেশ মানি চলিছে।

Shri Dulal Chandra Baruah—Circuit House ত গাড়ী থৈ দিয়ে আৰু মিটিং শেষ হলেই তাক লৈ নিৰ্ব্বাচনৰ কাম আৰম্ভ কৰে।

Shri Soneswar Bora—শ্বিলঙৰ পৰা Circuit House লৈ T. A. D. A. আদিও লোৱা হয়।

Shri Mahendra Mohan Chaudhary—নাই, নাই। লোৱা নহয়।

Shri Soneswer Bora—ৰাজ্যিক শ্ৰমমন্ত্ৰীৰ গাড়ীটো নিৰ্বাচনী পত্ৰিকা লগোৱা আছে আৰু গাড়ীখনত ৰাজ্যিক শ্ৰমমন্ত্ৰী বুলিও লিখা আছে। এনে ধৰণে মন্ত্ৰী গৈ নিৰ্বাচনী অভিযান চলাব পাৰেণে নোৱাৰে।

Shri Mahendra Mohan Chaudhary—পাৰে। প্ৰধান মন্ত্ৰী আহিলেও প্ৰধান মন্ত্ৰীয়ে বক্তৃতা দিব বুলিও কৈ দিয়ে। অৱশ্যে appealত লিখাটো উচিত নহয়।

Shri Dulal Chandra Barua—মূখ্যমন্ত্ৰীয়ে কৈছে যে কোনো official property election ৰ কামত ব্যৱহাৰ কৰা নহয়। কিন্তু আমাৰ এজন মন্ত্ৰীৰ নামত ভোট দিয়াৰ ক্ষেত্ৰত যদি official property issue কৰা হয় তেতিয়া হলে সেইটো official pressing ৰবেনে নকৰে।

Shri Mahendra Mohan Chaudhary—আজি প্ৰধান মন্ত্ৰী যদি নিৰ্ব্বাচনী কাৰ্য্যত আহে তেতিয়া হলে যদি কোৱা হয় যে প্ৰধান মন্ত্ৰীয়ে বক্তৃতা দিব। এইটোত আপত্তি কৰিলে তাক মানি লব নোৱাৰি। এটা party ৰ প্ৰধান মন্ত্ৰী হিচাবে সেই party ৰ interest ত কাম কৰাটোৰ এটা

মৌলিক স্বত্ব আছে আৰু তাত কোনেও হস্তক্ষেপ কৰিব নোৱাৰে বুলি Supreme court য়েও ৰায় দিছে।

M. Shamsul Huda— ১৯ ফেব্রুৱাৰীত লক্ষীমপুৰত village defence party ৰ নামত police বাহিনীয়ে পইছা খৰছ কৰি এখন মিটিং পাতিছিল। য'ত ৰাইজ গোট খাইছিল সেই pendal ৰ পৰা পুলিচে ৰাইজ নমাই দি কংগ্রেছী মানুহ উঠাই দি বক্তৃতা দিয়ালে। এইটোৰ এটা তদন্ত কৰক।

Shri Mahendra Mohan Chaudhry—মিটিং হৈ যোৱাৰ পিছত অন্য এটা party এ মিটিং কৰাত কোনো বাধা নাই। শ্ৰীবড়া ডাঙৰীয়াই কৈছে যে retired officer বিলাকক নিৰ্ব্বাচনত অংশগ্ৰহণ কৰিবলৈ দিব নেলাগে। Retired হোৱাৰ পিছত সেইলোক সকলৰ ওপৰত চৰকাৰৰ কোনো হাত নেথাকে। গতিকে তেওঁলোকে নিৰ্বাচনত অংশ গ্ৰহণ কৰাত আইন সঙ্গত কোনো বাধা নাই। তাৰ পিচত pension ৰ ক্ষেত্ৰত হৈছে pension is a past service.

শ্ৰীসোনেশ্বৰ বড়া ডাঙৰীয়াই কৈছে যে ভোট দিয়াৰ শেষ হোৱাৰ লগে-লগেই সেই ঠাইতে গন্টি আৰম্ভ কৰিব লাগে আৰু যত ভোট দিয়া হয় তাত গন্টি নকৰিলেও পিছদিনাই গণনা আৰম্ভ কৰিব লাগে। এইটো হব নোৱাৰে। এইটো কৰাৰ বিৰোধীতা বিৰোধী দলৰ সদস্য সকলেও কৈছে। এনেকৈ গন্টি কৰাটো অন্যায়। তাৰ দ্বাৰা গোটেই ভাৰত বৰ্ষৰ election তে এটা প্ৰভাৱ পৰিব। আজি আমাৰ অসমত ১১৭ টা সমষ্টি আছে। এই ১১৭ টা সমষ্টিৰ ভিতৰত প্ৰথমে ভোট গণনা কৰিলে যদি কোনো এটা দলে সংখ্যা গৰিষ্ঠতা লাভ কৰে তেতিয়া হলে বাকী ভোট নোহোৱা ঠাই বিলাকত এই দলেই জনসাধাৰণৰ আস্থা নাইহে বুলি ভাৱি অন্য দলক সমৰ্থন নকৰি সেই দলকেই ভোট দি দিব পাৰে। সেই কাৰণেই যেতিয়ালৈকে গোটেই দেশৰ নিৰ্বাচন শেষ হৈ নেজায় তেতিয়লৈকে নীতিগত ভাৱে কতো ভোট গণনা আৰম্ভ কৰিব নলোগে।

Shri Soneswar Bora—বেঙ্গল, উৰিষ্যা, তামিলনাডুত দেখুৱাই দিছে যে প্ৰত্যেক খনতে একে দিনাই ভোট গ্ৰহণ কৰাৰ ব্যৱস্থা হৈছে। কিন্তু আমাৰ ইয়াত ১০/১২ দিনৰ পিছত ভোট গণনা কৰাৰ কাৰণে ভোটৰ বাকচ

পৰ্য্যন্ত চোৰ কৰিবলৈ সুবিধা হৈছে।

Shri Mahendra Mohan Choudhary—বেঙ্গলত ভোট গ্ৰহণৰ কাৰণে ভাৰতৰ বেলেগ ৰাজ্যৰ পৰা পুলিচ আনিব লগা হৈছে। অসমৰ পৰাই দেৰটা বেটেলিয়ান নিব লগা হৈছে। যাতে নিৰ্ব্বাচনৰ সময়ত বাইজৰ মাজত শান্তি শৃঙ্খলা অব্যাহত থাকে। অন্য ৰাজ্যৰ সহায় নহলে ভোটৰ কাম ঠিকমতে কৰিব নোৱাৰি। আমাৰ ইয়াত ১০/১৫ হেজাৰ কেন্দ্ৰ আছে। ইমান বিলাক কেন্দ্ৰত পুলিচ দি শান্তি ৰক্ষা কৰা সম্ভৱ নহয়। সেই কাৰণেই একে দিনাই ভোট দানৰ ব্যৱস্থা নকৰি ২/৩ দিনৰ অন্তৰত কৰাৰ ব্যৱস্থা আগৰে পৰাই চলি আহিছে। সেই কাৰণেই যেতিয়ালৈকে সকলো জেগাতে ভোট লোৱা শেষ নহয়, তেতিয়ালৈকে গণনাৰ কাম আৰম্ভ কৰা নহয়। এই বিলাক কাম কেৱল এটা দলৰেই পৰামৰ্শ মতে কৰা নেযায়; সকলো ৰাজনৈতিক দলৰ পৰামৰ্শ মতেহে কৰা হয়। মাননীয় সদস্যই যিটো কথা কৈছে যে নিৰ্ব্বাচনত communal propaganda হৈছে- সেইটো আমি বিভিন্ন কেন্দ্ৰৰ পৰা যিবিলাক report সংগ্ৰহ কৰিছো তাৰ পৰা এইটো মই কব পাৰো যে communal propaganda হোৱা নাই।

Shri Lakshaydhar Chaudhary– নিৰ্বাচনৰ সময়ত শ্ৰীমইনুলহক্ চৌধুৰীয়ে এখন প্ৰচাৰ পত্ৰ উলিয়াইছে যত তেখেতে প্ৰচাৰ কৰিছে যে মই কাবা মজজিদৰো মজিয়া সাৰি আহিছো। অথাৎ তেওঁক ভোট দিব লাগে।

Shri Mahendra Mohan Choudhary—এইটো কম ডাঙৰ গুণৰ কথা নহয়। এইটো কেতিয়াও communal propaganda হব নোৱাৰে। এইটো তেখেতৰ গুণৰ কথাহে কৈছে। হয়তো election ৰ propaganda ত এনে কিছুমান কথা কেৱল কংগ্ৰেছৰ লোকেইহে কৰিছে এনে নহয়; সুবিধা বুজি অন্যান্য party ৰ লোকেও এনে কিছুমান কাম কৰি প্ৰচাৰ কাৰ্য্য চলাব পাৰে।

Shri Dulal Chandra Barua—বৰপেটা সমষ্টিত বিৰোধী দলে এইটো কৰা নাই। মৌল্লানা, মছজিতৰ গৈ অন্ততঃ বিৰোধী দলে কোৰাণ চৰিফ কৰাই শপত গ্ৰহণ কৰা নাই। কিন্তু মঙ্গলদৈ আৰু বৰপেটা সমষ্টিত আমাৰ মুখা ফুটা কংগ্ৰেছৰ নেতৃস্থানীয় নেতাই উটৰ মঙ্গহ বুলি শুকান মুৰ্গিৰ মাংস বাতা-বাতি মোল্লাৰ লগত গৈ বিলাই ফুৰিছিল।

Shri Mahendra Mohan Choudhury— সাধাৰণতে নিৰ্বাচনী প্ৰচাৰ কাৰ্য্য ভাষাৰ ভিত্তিত, সম্প্ৰদায় বা জাতীয় ভিত্তিত বা ধৰ্ম্মৰ ভিত্তিত হব নোৱাৰে ই নিৰপেক্ষ ভাৱে হব লাগে। যদি সেয়ে হৈছে তেনেহলে আমাৰ ফালৰ পৰা বা বিৰোধী পক্ষইও ইয়াৰ সুবিধা অসুবিধা বিচাৰ কৰি চোৱা টো উচিত হব।

সেইবিলাক কথা হৈছে দুৰ্নীতিৰ কথা। এইবিলাক কথাৰ কাৰণে "প্ৰিচাইদিং" অফিচাৰক দৰ্খাস্ত দিব লাগে। 'প্ৰিচাইদিং' অফিচাৰে দৰ্খাস্ত নামানিলে তাৰ বিৰুদ্ধে নিৰ্বাচন বাতিল কৰিবৰ কাৰণে মোকৰ্দ্দমা কৰিব লাগে। চৰকাৰৰ নিৰ্দ্দেশ নোহোৱাকৈ যদি কোনোবাই এনে কাম কৰিছে সি গৰ্হিত কাম হৈছে। এই অভিযোগ বিলাকৰ বিষয়ে জনালে তদন্ত কৰি চাম।

অফিচাৰ সকলে নিৰ্বাচনত অংশগ্ৰহণ কৰাটো আজি কেইবাগৰাকী সদস্যই। কিন্তু মই গ্ৰহণ কৰিব নোৱাৰো। চৰকাৰী বিষয়াসকলে নিৰ্বাচনত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায় কৰা কথাটো মই আজিহে শুনিছো।

Shri Dulal Chandra Barua— চৰকাৰী গাড়ী যি কোনো প্ৰাৰ্থীয়ে নিৰ্বাচনৰ কামত খটাব নালাগে। মই বাৰে বাৰে এই কথা কৈ আহিছো কিন্তু উত্তৰ স্বৰূপে কয় Election case কৰিব লাগে Election case কৰিবলৈ আমাৰ Means নাই। আপোনালোকৰ নিচিনা ব্যৱসায়ী সকলৰ পৰা টকা-পইছা লৈ Case কৰা আমাৰ কাৰণে সম্ভৱপৰ নহয়। ইয়াৰ বিচাৰ এদিন ৰাইজে কৰিব। মই মুখ্যমন্ত্ৰীক সুধিব খুজিছো মাজুলীত S.D.O Executive Engineer (E & D) P. W. D জীপ নিৰ্বাচনৰ কাৰণে ঘুৰোৱাতো জানেনে নাই? এই বিষয়ে মই তেখেতলৈ টেলিগ্ৰাম আদিও পঠাইছিলো আৰু ইয়াৰ স্পষ্ট প্ৰমাণও আছে। আজি মজিবুৰ ৰহমানক ধন্যবাদ দিছো পৰিস্থিতিলৈ চাই। তেখেতে পূৰ্ব্ববঙ্গত এই ভেদাভেদ ভাব নাইকীয়া কৰি দিছে। গতিকে আমাৰ মুখ্যমন্ত্ৰী এজন সুনিপুন ৰাজনীতিজ্ঞ, গতিকে আজি ভাই-ককাইৰ মাজত যি যধে মধে bad impactৰ সৃষ্টি হৈছে তাৰ কিবা চিন্তা কৰিছেনে?

Shri Mahendra Mohan Choudhury—ধৰ্ম্মৰ নামত, ভাষাৰ নামত এনেদৰে প্ৰচাৰ কাৰ্য্য চলালে আমাৰ সমাজখন বহুত পৰিমানে দুৰ্বল হয়। গতিকে এনে অৱস্থা যাতে ভৱিষ্যতে নহয় তাৰ কাৰণে সাবধান হৈ কাম কৰিব লাগিব। এই বিষয়ে আমাৰো কিছু দুৰ্বলতাবিলাক ৰাজহুৱাভাবে ঘোষণা কৰাৰ দৰ্কাৰ নাই। গতিকে অকল কংগ্ৰেছ বুলিয়ে নহয় সকলো দলৰ সদস্যই নিৰ্বাচনত Code of conduct মতে কাম কৰিব লাগে। কিন্তু এইবিলাক কথা প্ৰমাণ কৰা বৰ জটিল। কিন্তু প্ৰত্যেক দলেই প্ৰভাৱ বিস্তাৰৰ কাৰণে কিছুমান বাতাবৰণৰ সৃষ্টি কৰে নিজৰ দলক শক্তিশালী কৰিবলৈ। কিন্তু সকলো কথা আইন অনুসৰি হব লাগে। গতিকে মই আশা কৰো কৰ্ত্তন প্ৰস্তাৱটোত ঠাই নব।

Shri Premodhar Bora—অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয় যেতিয়া লক্ষীমপুৰলৈ গৈছিল তেতিয়া তেখেতক দিয়া অভিনন্দন পত্ৰত দিয়া অমুক তমুক অভিযোগ ডাঙি ধৰিছিল আৰু তাৰ উত্তৰ স্বৰূপে যিখিনি কৈছিল তাত নিৰ্ব্বাচনৰ প্ৰভাৱ পৰা নাই।

Shri Mahendra Mohan Choudhury—মই বিহপুৰীয়াৰ এখন মিটিংলৈ গৈছিলো তাত তেখেতো উপস্থিত আছিল— স্মাৰক পত্ৰৰ উত্তৰত মই কৈছিলো যে বৰ্ত্তমান মই নিৰ্ব্বাচনৰ কাৰণেহে আহিছো এইবিলাক কথাৰ জবাব দিব নোৱাৰো ভৱিষ্যতে যেতিয়া আহিম তেতিয়া এই কথাবিলাক বিবেচনা কৰি চাম।

Shri Atul Chandra Goswami—অধ্যক্ষ মহোদয়, নিয়মমতে এজন সদস্যই দল সলনি কৰিলে, ইফালৰ পৰা সিফাললৈ গলে তেওঁ কংগ্ৰেছৰ টিকেট লৈ পুনৰ নিৰ্ব্বাচিত হৈ আহিব লাগে কিন্তু আজি দেখিছো স্বতন্ত্ৰ দলৰ পৰা নিৰ্ব্বাচিত হৈ আহি আপোনালোকৰ টনা আজোৰাত সিফাললৈ গল। এই ক্ষেত্ৰত ৰাজনীতি দোষত পৰা নাই নে?

Shri Mahendra Mohan Choudhury—আমাৰ পাৰ্টিবিলাকত defection হৈছে ফলত স্থায়ী শাসন নচলা হৈছে। সেইকাৰণে কেন্দ্ৰত সকলো পাৰ্টিৰে এটা কমিটি গঠন কৰি দিয়া হৈছে যাতে এই defection বিলাকৰ এটি ভাল ব্যৱস্থা লব পাৰে। এই সম্পৰ্কে আইন প্ৰনয়ন কৰাৰো দৰ্কাৰ হব পাৰে।

**Shr Dulal C andra Baru** —মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো। যে, এসমৰ ইমুৰ পৰা সিমুৰলৈ যোৰহটীয়া ৰাইজ, যোৰহাটৰ ওপৰত এটা কলঙ্ক সানি দিয়া হৈছে। আৰু নিৰ্বাচন সংক্ৰান্তত যোৰহাটত যিটো গণ্ডগোল হল, সেই গণ্ডগোলত বহুতো ক্ষেত্ৰত আমাক দোষাৰোপ কৰা হৈছে। আৰু আমাক বিশেষ ধৰণৰ ৰাতিৰ ভিতৰতে হোৱা party in power য়েই দোষাৰোপ কৰিছে। দ্বিতীয়তে সন্দেহ ভঞ্জণ তথা দোষীক শাস্তি দিবৰ বাবে আমি সাজু আছো। যদি আমাৰ P. D. P. পাৰ্টিয়ে এই গণ্ডগোল বা হাঙ্গামা কৰিছে বা প্ৰফেচনেল গুণ্ডা নিয়োগ কৰি গণ্ডগোল কৰিছে তেন্তে সেই দোষৰ শাস্তি আমি মুৰ পাতি লম। যদি কংগ্ৰেছৰ নেতৃত্ব বহন কৰা লোকে ১০/১৫ খন মটৰ লৈ চাহ বাগানৰ বনুৱাক ৰক্ষা কৰিবলৈ আহোতে যদি P. & P.য়ে চাইকেল আদি ভাঙি ধ্বংস কৰি দিছে তেন্তে সেই শাস্তি লবলৈ সাজু আছো। সেই কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে এই কথাটোৰ স্পষ্টীকৰণৰ বাবে তদন্ত কৰে, আৰু আমি দোষী হলে এই পাৰ্টিৰ পৰা প্ৰথমতে মই পদত্যাগ কৰিম। বৰ্ত্তমান যোৰহাটত যি বা বতাহ চলি আছে সেইটো নিৰ্ণয় কৰিব নোৱাৰিলে সমাজত এটা বেলেগ অৱস্থাৰ সৃষ্টি হব পাৰে। আজি দেখা গৈছে তাৰ চৰকাৰী বিষয়াকে সেই গণ্ডগোলৰ বাবে নিয়োগ কৰা হৈছে আৰু এই চৰকাৰী বিষয়াক এৰেষ্টও কৰা হৈছে ইয়াৰোপৰি court ত produce কৰাও হৈছে। অথচ এতিয়াও সেই চৰকাৰী বিষয়া সকলে চাকৰী কৰি আছে। ৰাতি ১/২ বজাত গৈ বাচ, মটৰ আহি লৈ বনুৱাৰ চকীদাৰক ৰাতি মাৰপিট কৰাৰ কথা চৰকাৰে জানেনে? আৰু তাত গৈ মাৰপিট কৰোতে চৰকাৰী বিষয়া কেইজনেও আঘাট পাইছে আৰু তেওঁলোকক এৰেষ্ট কৰা স্বত্বেও কিয় ইয়াৰ একো ব্যৱস্থা কৰা নহল। convicted personক ৬মাহ জেইল হোৱাৰ পাছতো কিয় এতিয়াও চৰকাৰী চাকৰীত নিয়োগ কৰি ৰখা হৈছে? সেই সম্পৰ্কে চৰকাৰে বিশেষ ধৰণে বিবেচনা কৰিব লাগে। যদি এই কথাত আমাক দোষী বুলি প্ৰমাণ কৰি দিয়ে, বা অন্যক দোষী বুলি প্ৰমাণ কৰি দিয়ে তেন্তে দেশখনৰ কাৰণে কল্যাণ কৰা হব।

Speech not corrected

Shri Mahendra Mohan Cho.d'iury—চৰকাৰী বিষয়া গ্ৰেপ্তাৰৰ কথাটো মই প্ৰথম শুনিছো আৰু তদন্ত কৰি চাম। চৰকাৰী বিষয়াই নিৰ্বাচনত অংশ গ্ৰহণ কৰি আৰু গোলমাল কৰাতো অংশ গ্ৰহণ কৰি আচামী ভুক্ত হৈ যদি গ্ৰেপ্তাৰ হৈছে তেন্তে তাৰ তদন্ত কৰিম। সাধাৰণ তদন্ত চলোৱা কিমান দূৰ সমীচন হব মই ভাবি পোৱা নাই। কাৰণ তাত এতিয়া ৯টা মোকৰ্দ্দমা চলি আছে। এটা বোধ কৰো আমাৰ C. P. I. ফালৰ পৰা মোকৰ্দ্দমা কৰিছিল সেইটো চলিছে বাকী ৯টা মোকৰ্দ্দমা চলি আছে। ইয়াৰ ভিতৰতে ৫টা মোকৰ্দ্দমা P. D. P. ফালৰ পৰা। এইবিলাক মোকৰ্দ্দমা নিষ্পত্তি হোৱাৰ পাচতহে সাধাৰণ তদন্ত কৰিব পৰা হব।

Mr. Speaker—I put the cut motion. That the total provision of Rs. 24, 50, 800, under Grant No. 9, Major head "18 Parliament, State/Union Territory Leg slature-C. Elections", at pages 40-44 of the Budget, be reduced to Rs. 100, i.e., the amount of the whole grant of Rs. 24, 5°, 8:0 do stand reduced to Rs. 100.

(The cut motion was lost)

Mr. Speaker—I put the main question. The question is on the recommendation is the Governer of Assam that a sum of Rs. 24,50,800 be duanted to the rinester in charge to defray the expenses under the head "18 Parliament, State/Union Territory Legislative-C. Electio.s", for the year end ng 31st March 1972.

(The question was adopted)

Demand No. 10

Shri Mahendra Mohan Choudhury (Chief Minister) অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰো যে

১৯৭২ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "১৯ সাধাৰণ প্ৰশাসন I ৰাজ্যিক মূৰব্বীসকল আৰু মন্ত্ৰীসকলৰ" শিতানৰ প্ৰশাসনৰ

ক্ষেত্রত ব্যয় বহন কৰিবলৈ প্ৰয়োজনীয় ১৮,৬২,৬০০ টকাৰ কাৰণে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ১৩,৯৭,০০০ টকা মঞ্জুৰ কৰা হওঁক।

Mr. Speaker—১০নং মঞ্জুৰী সদনত প্ৰস্তাৱ কৰিছে।

Shri Lakshyadhar Choudhury—অধ্যক্ষ মহোদয়, ১০ নং মঞ্জুৰী সদনত আনিছে। সাধাৰণ প্ৰশাসনত ৰাজ্যিক মুৰব্বীসকলে সদনত প্ৰশাসনৰ ক্ষেত্ৰত ব্যয় বহন কৰিবলৈ ১৮ লাখ ৬২ হাজাৰ ৬ শ টকা কাৰণে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ১৩ লাখ ৯৭ হাজাৰ টকা মঞ্জুৰী কৰিছে, এই প্ৰস্তাৱৰ বিৰোধিতা কৰি মই কৰ্ত্তন প্ৰস্তৱ উত্থাপন কৰিছো। আৰু এই মুৰব্বী শব্দতো আমাৰ Socialist ৰাজ্যত উপযুক্ত হোৱা নাই। অসমীয়াই যেতিয়া আমাৰ ৰাজ্যিক ভাষা হৈছে তেতিয়া সেই ভাষা শুদ্ধকৈ লিখিব লাগে। এই বিষয়া সকলক মুৰব্বী বুলি কলে তলৰবিলাক কি হয়? এই ক্ষেত্ৰত আমাৰ ৰাজ্যৰ আয়ৰ পৰিধিলৈ চাই আমাৰ প্ৰধান বিষয়া আৰু মন্ত্ৰীসকলৰ পৰিষৰ বহুত বহল আৰু ব্যয়বহুল হৈছে। এই কথাও বহুবাৰ উত্থাপন হৈছে। আজি আমাৰ বাজেটত প্ৰায় ৪০ কোটি টকা ঘাটি পৰা স্বত্বেও, এই শিতানত মঞ্জুৰী কমাব নোৱাৰিলে—এইটো দুখৰ বিষয় হৈ পৰিব। কাৰণ আপোনালোকে এইটো চাওঁক যে শকত পূজি এটা প্ৰশাসনৰ কাৰণে প্ৰধান বিষয়া সকলে আৰু মন্ত্ৰীসকলে নিয়ে কিন্তু আমাৰ ৰাজ্যৰ প্ৰশাসনৰ অৱস্থা উন্নত হৈছে বুলি কব নোৱাৰো। কিয়নো আমি এতিয়া দেখিছো যে, "অধিক মাছ বগলী কনা, বাৰটা ৰান্ধনীৰ আঞ্জা ঘোলা হয়।" "১২টা ৰান্ধনী হলে আঞ্জা ঘোলা হয়।" ঠিক তেনেকৈয়ে আমাৰ প্ৰত্যেকটো বিভাগতে দুজনকৈ মন্ত্ৰী এনে ধৰণেৰে দিছে যে তাৰ ফলত চৰকাৰী কাম ক্ষিপ্ৰ গতিত হোৱা দুৰৰে কথা মন্থৰ গতিতো নহয়। কাৰণ দুয়োজন মন্ত্ৰীৰ একেটা বিষয়তে ভাৱধাৰা বেলেগ বেলেগ।

শিক্ষাবিভাগত L. P. বা হাইস্কুল বিলাকৰ অনুদানৰ ক্ষেত্ৰত এজনে যিটো কয় আনজনে তাতকৈ বেলেগ কয়। তাৰ ফলত আজি ২৬ এপ্ৰিল প্ৰযান্ত কোন স্কুলে কেনে ধৰণৰ অনুদান পাব আমি বুজিব পৰা নাই। আমি শুনিছিলো যে লিষ্ট দিব লাগে তাৰ পাচত আকৌ শুনিলো যে মন্ত্ৰী সকলেহে দিব। আকৌ অলপতে কলে যে ২০ খন L. P. স্কুলৰ লিষ্ট

দিয়ক। এনিয়া জনা নাযায় যে এইবিলাক স্কুলে একহাজাৰকৈ পাবনে কোনোবাই কম কোনোবাই বেচিকৈ পাব। দুয়োজন মন্ত্ৰীক একেলগে পোৱা নাযায়। এজনে কয় এহেজাৰ দিব লাগে আকৌ আনজনে কয় ভাবি চাও কিমান দিব পাৰি। এইদৰেই প্ৰশাসনিক ব্যৱস্থা চলিছে।

তাৰ পাচত গভৰ্ণৰৰ নাম ইয়াত আনিলে বহুতে বেয়া পায়। কাৰণ তেখেত ইয়াত উপস্থিত থাকিব নোৱাৰে। বেমাৰৰ কাৰণে তেখেতক বহুটো পইচা দিব লাগে। এজন শিক্ষকে Extention পাবলৈ হলে Health Certificate দিব লাগে ডাৰোগা হবলৈও Health Certificate দিব লাগে। কিন্তু গভৰ্ণৰ ক্ষেত্ৰত Health Certificate লোৱাৰ ব্যৱস্থা কৰিব নোৱাৰিনে? কাৰণ আমি ৩ মাহে ৩ মাহে যথেষ্ট অনুদান দিবলগীয়া হৈছো।

তাৰ পাচত বাংলা দেশৰ দুৰ্গত লোকসকল আমাৰ ইয়ালৈ আহিব লাগিছে। এই দুৰ্গত লোকসকলৰ প্ৰতি আমি আমাৰ কৰ্ত্তব্য পালন কৰিব পৰা নাই। বিলিফ আৰু ৰিহেবিলিটেশ্যনৰ মন্ত্ৰী শ্ৰীসাধনৰঞ্জন চৰকাৰৰ দিল্লীলৈ যোৱাৰ কথা অমৃত বজাৰ পত্ৰিকাত ওলাইছে। কিন্তু তেওঁলোকৰ প্ৰতি আমাৰ কৰ্ত্তব্য পালন কৰা হোৱা নাই। ইন্দিৰা বাইদেৱেও কৈছিল যে উপযুক্ত সময়ত ইয়াৰ ব্যৱস্থা কৰিব। কিন্তু আজি ১মাহ পাৰ হৈ গল মজিবুৰ ৰহমানৰ নেতৃত্বত সৃষ্টি হোৱা বাংলা দেশৰ স্বীকৃতি দিয়া হোৱা নাই। অথচ এই সদনতে আমি স্বীকৃতি দিব লাগে বুলি এটা সৰ্ব্বসন্মতি প্ৰস্তাৱ পাচ কৰি দিছো। সীমান্তৰ সিপাৰৰ পৰা বাংলা দেশৰ ৰিফিউজী বিলাক আহিব লাগিছে এই বিলাক আমাৰ দেশৰ নহয়। মানবীয় কৰ্ত্তব্যৰ ফালৰ পৰা মজিবুৰ ৰহমানৰ যি গণতান্ত্ৰিক ব্যৱহাৰ তাত আমি আনন্দ পাইছো। কিন্তু শৰনাৰ্থী সকলৰ যি বিলাক শিবিৰ পাতিছে তাত ঠিকমতে সা-সুবিধা দিব পৰা নাই। অথচ আমাৰ দুজনকৈ মন্ত্ৰী আছে। ইয়াৰ ফলত অসমত আমাৰ ইকুলো হেৰাব সিকুলো হেৰাব। আৰু কলঙ্কৰ ভাৰ লব লাগিব। গতিকে এই শৰনাৰ্থী শিবিৰ বিলাক ভালকৈ পৰিচালনা কৰাৰ ব্যৱস্থা কৰিব লাগে। বিহুৰ সময়ত বিহুৰ পথাৰলৈকে বহুত শৰনাৰ্থী আহিছে আৰু তাৰ মাজতে বহুত মুছলিম লিগৰ মানুহো communal disterlance ৰ কাৰণে আহিছে। সেই সময়তে বদৰপুৰত এটা লজ্জাজনক ঘটনা হোৱাৰ কথা সবলোৱে জানে। সেই কাৰণে মই কও যে বেছি হলেই কাম ভাল হব

এই কথা মই কও কিন্তু সুদক্ষ লোক কম হলেও যে কাম ভাল হব সেইটো সচা। গতিকে এই বিভাগৰ দুজন মন্ত্ৰীৰ ঠাইত এজন খহাব লাগে। আন ফালে শিক্ষাৰ ক্ষেত্ৰতো একেই হৈছে। মন্ত্ৰী যিমানেই বেছি হৈছে কৰ্ম্মচাৰীও সিমানেই বেহি হৈছে কিন্তু শিক্ষা শিতানৰ মঞ্জুৰী বিলাক lapse হব লাগিছে। ৰাষ্ট্ৰভাষা হিন্দীৰ যিটো গ্ৰাণ্ট আছিল সেইটোও এইবাৰ lapse হৈছে। গতিকে মন্ত্ৰী বা মুৰব্বী সকলে বেছি হলেও যে কম নহয় এই কথা প্ৰমাণিত হৈছে। গতিকে ইমান এখন দুখীয়া দেশত ২৬ জন মন্ত্ৰীৰ ভিতৰত ৬ জনহে ৰাখিব লাগে আৰু বাকী বিলাকে প্ৰাক্তন বুলি লিখিব লাগে।

এতিয়া দেখা যায় যে বাজেটত যি ১৩ লাখ টকা ধৰিছে সেইটো অতিৰিক্ত হৈছে; মই কোনো লোককে আক্ৰমন কৰি কব খোজা নাই। কথা হল এতিয়া মন্ত্ৰীসভাতো যদি ২৬ জন মন্ত্ৰীৰ ঠাইত ৬ জনো হয় তেনে অৱস্থাতো দেশৰ প্ৰশাসন চলি থাকিব বৰং প্ৰশাসন ভালেই হব। কাৰণ মই কও এখন Schoolৰ Recognitionৰ কাৰণে এজন মন্ত্ৰীৰ ওচৰলৈ গলে এজনে নিদিলে অইন এজনৰ পৰাও আনিব পাৰি গতিকে তেনে ক্ষেত্ৰত এতিয়া আমাৰ দপ্তৰ বঢ়াই একো লাভ নাই। তাৰ পিচত Health, Public Health, Health Service এই ৩টানো কত আছে কোনেও বিচাৰি নাপায়। যোৱা ১৯৬৭ চনৰ পৰাই এই Refiulla sothis কথা কোৱা শুনি আছো এই firmৰ বিৰুদ্ধে প্ৰায় ৩৫টা মান charge আনিছে। আনকি Drug controlerয়েও ধৰি দিয়া লোকজন আজিও আছে। তেওঁক Blach listatত হোৱা নাই। গতিকে দেখা যায় প্ৰশাসন একেবাৰে ঠিক হোৱা নাই। আমাৰ Director of Health Service জনে Retire কৰিছে অথচ এতিয়াও কাক Director দিব থিক কৰিব পৰা নাই। আজি শুনিছো বাহিৰৰপৰা আনিব। যিজন লোকে পাব লাগিছিল সেইজনেই পোৱা নাই কিন্তু যিজন দাগী সেইজনেহে পাইছে। এজনডাক্তৰ আছে যিজনে ১৫ বছৰ Additional Director হিচাবে কাম কৰিলে অথচ তেওঁক দিয়া নাই কাৰণ তেওঁ Schedule casteৰ পৰা আহিছে বুলি এনে হৈছে নেকি? অথচ নতুন Director এজন নিযুক্ত নকৰি তেওঁৰ দ্বাৰাই additional কামবোৰ কৰাই লৈছে। গতিকে Health departmentৰ ২ জন মন্ত্ৰী থাকি কোনো লাভ হোৱা নাই।

আমাৰ P. W. Dৰ ঠিকাদাৰেই এতিয়া কাম নকৰে গতিকে মন্ত্ৰী ৰাখি কি লাভ? যোৰহাটৰ টোকনাই Bridge খন R.C.C হব লাগিছিল কিন্তু কাঠৰ হল, এতিয়া আমাৰ এজন মন্ত্ৰী গুচাই দিলে হয়তো Bridge খন R.C.C হৈ গলহেঁতেন। গতিকে মই কৈছো এই শিতানত কি মজুৰী বিচাৰিছে সেইটো সচানে মই কেতিয়াও গ্ৰহণ কৰিব নোৱাৰো। কাৰণ মন্ত্ৰী বেচি হৈছে বুলি চিঞৰিয়েই আছো। মই কাৰো বিপক্ষে যাব খোজা নাই কিন্তু মই কব খোজো যদি আমাৰ মন্ত্ৰীয়ে নিজেই পদ ত্যাগ কৰে তেতিয়া আমি অসম সাহিত্য সভাক ধৰি-মেলি সেই মন্ত্ৰীক ত্যাগবীৰ নাম দিম। কিন্তু মন্ত্ৰীয়ে ত্যাগ কৰা কোনো কালেই দেখা নাই; ত্যাগ কৰি দেশখনকে বচাওক দেশখনেই খৰচ-পাতিৰ বোৰৰ বাহী হওক। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাবটো উত্থাপন কৰিলো।

Shri Dulal Chandra Barua—মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি কেইটামান কথা এই সম্পৰ্কত কব বিচাৰিছো। প্ৰথম কথা এই বাজেটত আমি যি দেখিছো যে ৰাজ্যপালজনকেই কেৱল Maintain কৰিবলৈ যথেষ্ট টকা-পইচা ইয়াত ধৰা হৈছে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আজি আমি এই ৰাজ্যপালজনক মাননী হিচাবে যিখিনি টকা-পইচা আগবঢ়াইছো সেই পৰিমাণৰ দৰ্ম্মহা Meghalaya বা নাগালেণ্ড চৰকাৰেও দিছে নেকি?

মই এইটো কথা সদনক কব খোজো যে ৰাজ্যপালজনকেই Maintain কৰোটে বিৰাট খৰচ হয়। তেখেত মেঘালয়া, নাগালেণ্ডৰটো ৰাজ্যপালেই নেফাটো মুখ্য প্ৰশাসক আকৌ আমাৰ গুৱাহাটী, ডিব্ৰুগড় আৰু যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ Chairman আকৌ পূৰ্ব্বাঞ্চল পৰিষদৰো Chairman গতিকে তেখেত Super structure—He has become jack of all trades, mater of none. He has become a problem creator. অথচ এই ৰাজ্যপালজনে আমাৰ কোনো সমস্যাই সমাধান কৰিব পৰা নাই বৰং সমস্যা বাঢ়িহে গৈছে।

মাননীয় সদস্য শ্ৰীপ্ৰেম বৰা ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ কথা কৈছে—কিন্তু গুৰুত্ব দিয়া নাই; তেখেতে কৈছে ৰাজ্যপাল হিচাবে ৰাজ্যপালজনে ইয়াত এটা ভাষণ দিছে, Nagaland গৈ এটা বেলেগ ধৰণৰ ভাষণ দিছে।

গতিকে এই ৰাজ্যপালজনক Head হিচাবে গৈ অসম আৰু নাগালেণ্ডৰ সীমা বিবাদ কেতিয়াও শেষ নহয়। তেখেতৰ ডাক্তৰৰ ফীজ carৰ ফীজ ইত্যাদিবোৰ দিওতে বহুত টকা-পইচা খৰচ হয়। এইবিলাক খৰচ নাগালেণ্ডেও দিব মেঘালয়েও দিব, কিন্তু এই ৰাজ্যপালৰ পৰা কাম হলে কোনেও নাপায়, ৰাজ্যপাল হোৱাৰ উপৰিও তখন বিশ্ববিদ্যালয়ৰ Chancellor। শিক্ষাৰ ক্ষেত্ৰত তেখেতে ৰাজনীতি কৰিবলৈ আহিছে, তেখেতে Presidentৰ Agent হিচাবেহে মান নেতৃত্ব দিব লাগিছিল। মেঘালয়ৰ সৃষ্টি কৰাৰ গুৰিতে তেওঁয়েই, নাগালেণ্ড আৰু অসমৰ মাজত সীমা বিবাদৰ সৃষ্টি কৰাৰ গুৰিতে এওঁয়েই তাৰো উপৰিও Super structureৰ নেতৃত্ব এওঁয়েই দিছে।

Speech not correct

Mr. Speaker—Mr. Barua, I think the Heads of Grants covers only the Ministers.

( Voices—No, it includes the Governor also )

Shri Dulal Chandra Barua—এতিয়া কথা হৈছে যে আজি আমাৰ বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত যিমানবিলাক গোলমালে দেখা দিছে আৰু যি ধৰণে বস্তু খাপ খুৱাই ৰাখিছে, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত যি কৰিছে সেই কথাও আপোনালোকে জানে।

প্ৰশাসনৰ এটা আমুল পৰিবৰ্ত্তন আনিবলৈ হলে এইজন ৰাজ্যপালক অতি সোনকালে ইয়াৰ পৰা পঠাব লাগে। নহলে কি ৰাজনীতি কি শিক্ষানীতি একোতে স্থিৰতা আনিব নোৱাৰে। এইয়া মোৰ কথা নহয় সমষ্ট ৰাইজৰে কথা। ধৰমভীৰ পশ্চিম বঙ্গৰ পৰা যেনেকৈ পলাবলৈ বাধ্য হৈছিল তেনেকৈ আমিও দাবি কৰো যে এইজন ৰাজ্যপাল তুৰন্তে ইয়াৰ পৰা যাব লাগে। আমি আশা কৰো দেশবাসীৰ কল্যাণৰ প্ৰতি লক্ষ্য ৰাখি এই কাম মুখ্যমন্ত্ৰী মহোদয়ে হাতত লব। তাৰ পাচত মই মন্ত্ৰী সভাৰ কথালৈ আহো। অধ্যক্ষ মহোদয়ে মন্ত্ৰী সভা বৃদ্ধি কৰাত মোৰ আপত্তি নাই তেখেত সকলৰ ভিতৰত যিমান কেইজন A.M.L আছে তেওঁলোকক মন্ত্ৰী কৰি ললেও মোৰ আপত্তি নাই। কিন্তু মোৰ কথা হল আমাক এনেকুৱা এখন মন্ত্ৰী সভা লাগে যিখন মন্ত্ৰী সভাই সুনিপুন নেতৃত্ব বহন কৰিব পাৰে আৰু আমাৰ গুৰুত্বপূৰ্ণ কথা

বিলাক দাঙি ধৰিব পাৰে। কিন্তু আমাৰ মন্ত্ৰী সভাখনত দেখিবলৈ পাইছো তিনি মুৰীয়া। অধ্যক্ষ মহোদয় আপুনি মোক দোষ নধৰিব এদিন মই কিবা কাৰণত শ্ৰীঅবলা কান্ত গোস্বামীৰ সৈতে মন্ত্ৰী সভাৰ ওচৰতে ঠিয় হৈ আছিলো। তেতিয়া মন্ত্ৰী সভাৰ আলোচনা বিলাক শুনি আছিলো কিন্তু মোৰ কবলৈ বেয়া লাগিছে যে ইমান নিম্নখাপত আলোচনা হবলৈ নেপায়। একেবাৰে গোৱালৰ আলোচনাৰ নিচিনা।

Mr. Speaker—গোৱাল শব্দটো unparliamentary হৈছে।

Shri Dulal Chandra Barua—গোৱাল বুলি মই কোৱা নাই, নিচিনা বুলিহে কৈছো unparliamentary যদি মই উঠাই লৈছো।

আমাৰ ফালৰ পৰা আমি কব পাৰো যে ৩/৪ জন মানুহৰ বাহিৰে প্ৰকৃত পক্ষে শাসন কাৰ্য্যৰ চকৰি ঘূৰাব পৰা মানুহ মূখ্যমন্ত্ৰী মহোদয়ে মন্ত্ৰী সভাত লব নেজানিলে। ৰাজনীতিৰ পৰিষৰ বৃদ্ধি কৰিবৰ কাৰণে ২৬ জনীয়া মন্ত্ৰী গঠন কৰা বুলি আমি অনুমান কৰিব পাৰো। আমাৰ অভাব অভিযোগ বিলাক represent কৰিব পৰা বিধৰ কোনো এজনো নাই। কেইজন মানৰ যে মিঠা কেহা মাতকে শুনিবলৈ নেপাও একোজন মন্ত্ৰীৰ চাহ তামোল খোৱাৰ বাহিৰে একোৱেই দেখিবলৈ পোৱা নাই। আমাৰ বয়বৃদ্ধ পিতৃস্থানীয় শ্ৰীশয়কীয়া ডাঙৰীয়াই মন্ত্ৰী হোৱাত মই আনন্দিত হৈছো কিন্তু এই বয়সত তেখেতক মন্ত্ৰী পাটি আৰু বুঢ়া কৰাহে হৈছে কাৰণ এটা fileও তেখেতৰ ওচৰলৈ নেযায়। মই ভাবো P.W.D. দুজন মন্ত্ৰী কোনো প্ৰয়োজন নাই। এতিয়া জানিব পাৰিছো মহৰি বদলি ক্ষেত্ৰত Chief Engineer বা additional Chief Engineer হাত নাই মন্ত্ৰীয়ে গালৈ টানি নিছে। মই ভাবো এই দুজনক মন্ত্ৰী বুলি নকৈ minister P.W.D. came chief engineer. আৰু state minister came add. chief engineer তেতিয়া হলে এই দুজন officerৰ পইচাতো কমি যাব। গতিকে decentralization of power wark lamdৰ ওপৰত ভিত্তি কৰি মন্ত্ৰী সভা গঠন কৰিব লাগে। মন্ত্ৰী সভাৰ পৰিশৰ বৃদ্ধি কৰাৰ পাচতো কোনো সমস্যাৰ প্ৰতি লক্ষ্য কৰা আমি দেখা নাই। সকলো ক্ষেত্ৰতে আমাৰ কেন্দ্ৰিয় চৰকাৰে প্ৰতাৰিত কৰি আহিছে।

আমাৰ এই মন্ত্ৰী সভাত thorough exe ution কৰিব পৰা বা কেন্দ্ৰিয় চৰকাৰক টানি ধৰিব পৰা বিজ্ঞ মানুহ কম। আমাৰ মন্ত্ৰী শ্ৰীসাধন চৰকাৰৰ কথা radioত হে জানিছো তেওঁনো Rehabilition কেনেকৈ চলাইছে কি কৰিছে তেওঁহে জানে। অফিচাৰ সকলেও তেওঁলোকৰ হেচাত পৰি বহুত কাম কৰিব নোৱাৰে। কোনোৱা যদি sinciar officer আছে তেওঁ আমাৰ দেখাত উন্নতিৰ কাৰণে চিন্তা কৰিব আৰু নেথাকিলে গা দি ফুৰিলে।

আজি ৰাজ্যত নগা সমস্যা সৃষ্টি হৈছে। নগা সমস্যা সমাধানৰ ক্ষেত্ৰত আমাৰ মন্ত্ৰীসভাই যিটো দৃঢ় সংকল্প গ্ৰহণ কৰিব লাগিছিল, সেই সিদ্ধান্ত গ্ৰহণ নকৰাৰ ফলতেই এনে সমস্যাৰ সৃষ্টি। আজি চৰকাৰৰ নেতৃত্বত চৰকাৰৰ অশ্বাসমতে নগা সীমান্তত যিসকল মাটিহীন, বানবিধস্থলোকে বসবাস কৰিছিল সেইসকলে নগালেণ্ডৰ পুলিচৰ হাতত, আমাৰ চৰকাৰৰ পুলিচৰ অত্যাচাৰ আদিত জীবন শেষ কৰিবলগীয়া হৈছে; কিন্তু এই ক্ষেত্ৰত আমাৰ চৰকাৰ একেবাৰে সুপ্ত আৰু নীগুঢ়। মই এই ক্ষেত্ৰত নগালেণ্ড চৰকাৰৰ লগত গুলীয়াগুলি কৰিবলৈ কোৱা নাই। কিন্তু আমাক এটা পৰিস্কাৰ সিদ্ধান্ত লাগে আৰু এটা পৰিস্কাৰ সীমাৰেখা লাগে। এইকথা পৰিস্কাৰকৈ Dirrective Officerক দিয়া দৰ্কাৰ। এই অফিচাৰসকলে কি কৰিব কি নকৰিব একোকে নাজানে। তেওঁলোকৰ চকুৰ আগতে মানুহ মাৰিছে, ঘৰ জ্বলাইছে আৰু নগালেণ্ডৰ পুলিচৰ Camp পাতিছে। এইবিলাক মন্ত্ৰীমহোদয়ে নিজেই দেখি আহিছে; কিন্তু আজিলৈকে তাৰ এটা খাটাং সিদ্ধান্ত চৰকাৰে কৰিব পৰা নাই। গতিকে মন্ত্ৰীসভা বহল কৰিলেই নহয় মন্ত্ৰীসভা বহল হোৱাৰ যোগ্যতাও থাকিব লাগে আৰু সেই মন্ত্ৰীসভাই বহল দৃষ্টিভঙ্গিৰে কাম কৰা দৰ্কাৰ। আজি শ্ৰীচৌধুৰী ডাঙৰীয়াই ২৫ জনীয়া মন্ত্ৰীসভা পাতিছে। কিন্তু আচলতে আমাৰ প্ৰশাসনীয় ক্ষেত্ৰত তাৰ আধাখিনিহে লাগে। গতিকে এতিয়া কাৰ ফাইল কলৈ যায় কব নোৱাৰি।

আজি যি সকল উপযুক্ত লোক আছে এই সদনৰ আস্থাভাজন হৈছে, সেই সকল যতেই আছে তাতেই ৰাখিছে। ৰাজনৈতিক Pressareত কৰ্ম্ম-শক্তি নাইকীয়া কৰিছে। আজি Cabinateত কিছুমান লোকৰ স্থান নাই; কিন্তু যিসকলৰ অভিজ্ঞতা বা দূৰদৰ্শিতা আছিল আৰু ৰাইজৰ প্ৰতি সেৱাৰ মনোভাৱ আছিল। তেওঁলোকক ৰাজনৈতিক কাৰ্য্যত স্থান দিয়া নাই। যি

সকলে নিজৰ স্বাৰ্থৰ কাৰণে খুচামত কৰি স্থান পায়—তেওঁলোকৰ প্ৰতি মন্ত্ৰীসভাৰ আস্থা থাকিব লাগিছিল; কিন্তু আস্থাভাজন হোৱাৰ পৰিবৰ্তে অনাস্থাভাজন হৈ পৰিছে।

সিদিনা মোৰ সমষ্টিলৈ দুই তিনিজন মন্ত্ৰী গৈছিল অথচ মোক খবৰ দিয়া নাই। Tour progroumৰ এনেকুৱা এটা ব্যৱস্থা কৰিব লাগে যাতে একেখন ঠাইলৈ দুজন মন্ত্ৰী নাযায়। কাৰণ D.Cয়ে অন্যান্য কাম বাদ দি মন্ত্ৰীৰ পিচত ঘূৰি ফুৰিব লাগে। ফলত আমাৰ ৰাইজৰ অপকাৰহে হৈছে উপকাৰ হোৱা নাই। Tour progourme কৰা সম্পৰ্কত বিহিত ব্যৱস্থা লব লাগে যাতে By Rolation কাৰোবাক ৰাইজে মাতিলে যাব। ৰাইজে আপোনালোকক নমতা নহয়। কেতিয়াবা ৰাইজক সন্তুষ্ট কৰিবৰ কাৰণে আমি মাতিয়েই থাকো। কিন্তু আমি এইটো নিবিচাৰো যে কেতিয়াবা আহিলে এজন মন্ত্ৰীও স্বিলঙত নাপাওঁ।

এতিয়া বিধান সভা চলি আছে, বহুত মন্ত্ৰী ইয়াত নাই ঘূৰি ফুৰিছে। এতিয়া মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক কৈছো যে তেখেতৰ ৰাজনৈতিক অৱস্থা ভাল, তেখেত এইবিলাকত সতৰ্ক হব লাগে। কিন্তু তেখেতে যদি মাত্ৰ ৬ মাহ বা বছেৰেকৰ কাৰণেহে মুখ্যমন্ত্ৰী হৰ বিচাৰিছে তেনেহলে তাত মোৰ আপত্তি নাই। যদি প্ৰকৃততে নেতৃত্ব দিব বিচাৰিছে তেন্তে এতিয়াও সময় আছে। মন্ত্ৰীসভাৰ Number reduced কৰক আৰু ৰাইজক সেৱা কৰিবলৈ প্ৰস্তুত হওক।

আমি কেৱল বাহিৰে ভিতৰেহে বক্তৃতা দি আছো। উদ্যোগ মন্ত্ৰীয়ে মিটিঙত বহুতো আশ্বাস দি আহিছে, কিন্তু কথা হল যদি Policy বা সিদ্ধান্ত wrong হয়, তেন্তে নীতি কাৰ্য্যকৰী ব্যৱস্থা হাতত লব নোৱাৰে আৰু চৰকাৰৰ ফালৰ পৰা To much interference ত্যাগ কৰক। মন্ত্ৰীসভাৰ Policy making body ঠিক কৰক। মন্ত্ৰীসকলে বেছিকৈ interference কৰাৰ কাৰণে আমি দেখিছো যে মন্ত্ৰীৰ ওপৰত Officerৰ আস্থা নোহোৱা হৈছে। সেই কাৰণে কামবিলাক সময়মতে হৈ উঠা নাই। গতিকে মন্ত্ৰী সকল আৰু Member সকলৰ code of conduct থকা দৰ্কাৰ।

মন্ত্ৰীসকলৰ লগে লগে সদস্য সকলৰো Property Assesment কৰি

লোৱা দৰকাৰ। সেইটো নকৰাৰ কাৰণে কোনে কি'ত কি কৰিছে ক'ব নোৱাৰি। মই জানো Partyৰ নামত এজন মন্ত্ৰীয়ে ঠিকাদাৰৰ পৰা ৫০০০'০০কৈ টকা লোৱা আৰম্ভ কৰিছে আৰু মাত্ৰ আঠৈশ টকাহে Partyৰ নামত দি বাকীখিনি পকেটত ভৰাই থয়।

এই কথা শুনিলে শ্ৰীশইকীয়া ভাণ্ডৰীয়াই কালিলৈকে পদত্যাগ কৰিব। ৺চলিহাদেৱ মুখ্যমন্ত্ৰী হৈ থাকোতে Transport Minister P. W. D. Ministerৰ বিপক্ষে অভিযোগবিলাক তদন্ত কৰি জনোৱা কথা আছিল; কিন্তু সেইবিলাকৰ আজিলৈকে তদন্তই নহল। ৺চলিহাদেৱৰ Parsonal Fileত সকলোবিলাক কাগজ পত্ৰ পোৱা হৈছিল আৰু তাত তেখেতৰ বিপক্ষে কোনো অভিযোগ নাই বুলি কোৱা হৈছিল। গতিকে যিবিলাক মন্ত্ৰীৰ বিৰুদ্ধে অভিযোগ আছে সেইবিলাক তদন্ত কৰি অতি সোনকালে সদনত জনাব লাগে আৰু যিসকল দূৰ্নীতি প্ৰবায়ন আছিল তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ অনুৰোধ জনালো।

আৰু এটা কথা যে এতিয়া মন্ত্ৰীৰ Tourত খৰা হৈছে প্ৰায় ৪ লাখ ৩৮ হেজাৰ ৪১২ টকা। কিন্তু এতিয়া যিটো টকা খৰা হৈছে এইখিনি ৬ মাহতে শেষ হব। যোৱা বছৰত তেখেত সকলে খৰছ কৰিছে ৮ লাখ ৪৯ হেজাৰ টকা অকল মন্ত্ৰীৰ বাবেই আৰু বাকী Associate লোক সকলৰ হিচাব বাদ দি।

আনহাতেদি আমাৰ শিক্ষা সংকোচন কৰিবলৈ ব্যৱস্থা কৰিছে। এই সংকোচনৰ সময়ত বাজেট ঘাটি থকা স্বত্বেও মন্ত্ৰীৰ পিচত ইমান টকা Tourৰ ক্ষেত্ৰত খৰছ কৰিবলৈ অকনো দ্বিধাবোধ নকৰে কিয়? তাৰোপৰি তেখেত সকলৰ লগত Private Secretaryকে আদি কৰি যি কেইজন যায় তেওঁলোকে ২৪ ঘণ্টা ধৰি খাবলৈ নাপায় পেট চুচবাই ঘূৰি ফুৰিব লাগে। অৱশ্যে মুখ্যমন্ত্ৰীয়ে তেখেতৰ লগত যোৱা কেইজনক ভাত খুৱায়। কিন্তু এনেকুৱাও Minister আছে তেওঁলোকৰ Driver পিয়ন আদিৰ অৱস্থাই শেষ হৈ গৈছে। খাবলৈ নোপোৱাৰ তাৰণাত কোনোবাই নতুন মেখলা যদি দিয়ে তাক কটিয়াই ফুৰোতেই দিন যায়। আনকালে তেওঁলোকৰ দৰ্মহাও কম আৰু Promotion আদিও নাই। তেওঁলোকৰ লৰা-ছোৱালী আছে অথচ ঘৰ দুৱাৰৰ ব্যৱস্থা নাই। আজি শ্বিলঙত যিসকল আছে তেওঁলোকে

ৰাতি ববষুণত ফটা ছাতি লৈ Lumparisy লৈ যাব। কিছুমানে ফটা ছাতিও নোপোৱাকৈ তিতি তিতি যাব লাগে। তেওঁলোকৰ কথা কোনোবাই চিন্তা কৰিছেনে? তেওঁলোকৰ কোনো Quarter নাই। আজি মন্ত্ৰীৰ লগত থকা Driver বিলাকে যিটো Scale পাব লাগে সেইটো পোৱা নাই। গতিকে সেইসকলৰ Scaleটো বিবেচনা কৰি মন্ত্ৰী সকলে দিব লাগে। গতিকে দেশখনৰ সুস্থ সবল নেতৃত্ব দিব লাগে।

অধ্যক্ষ মহোদয়, আপুনি জানে যে মন্ত্ৰীৰ সংখ্যা বঢ়াৰ লগে লগে ঘৰৰ ভাৰাৰ কোপত লেছুমিয়াৰখন মন্ত্ৰী নগৰ হৈ পৰিছে। তেওঁলোকৰ বাবে মাত্ৰ ৫০ হেজাৰ টকা ধৰিছে। এইখিনি ৬মাহ দিবলৈকে নুজোৰে। গতিকে ১০ হেজাৰ ভাবা ধৰিলে চকুত ধূলিমৰা হব। আমি Pinewoodৰ পৰা খোজ কাঢ়ি আহো অথচ মন্ত্ৰীৰ বাবে গাড়ীতেই বহুত টকা খৰছ কৰা হৈছে ৮/৯ ঘৰ ভাবা লোৱা হৈছে। গতিকে Payment, ঘৰভাবা ইত্যাদিত কিমান টকা খৰহ হয়, তাৰ প্ৰকৃত হিচাপ দিয়া নাই। ইয়াত লিখিছে Home rant and conveyance allowance

এইটো ইয়াত কেনেকৈ হব পাৰে। মইও কেৰানী কাম কৰিছিলো। P.P.S. হল—Principal Private Secretary to the Chief Minister, Under Secretary, Private Secretaries and special officer he cannot be brought to a different cadre.

তেখেত Same cadreৰ মানুহ। Secretary, Under Secretary, Special Secretary, Special officer আদিৰ Payment আচল বাজেটৰ পৰা হব লাগে। ইয়ালৈ কেনেকৈ আহিল সেই কথাৰ স্পষ্টীকৰণ লাগে।

সকলোৱে যোৱা নিৰ্ব্বাচনৰ কথাটো লৈ গৌৰৱ কৰিছে। প্ৰকৃততে মন্ত্ৰী সভাৰ যিটো দায়িত্ব সেইটো মানি ৰাইজৰ প্ৰতি সেৱাৰ মনোভাৱ ৰাখি কাম কৰা দৰ্কাৰ। কিন্তু বহুতে মন্ত্ৰী হৈ কলঙ্ক আনিছে।

যদি বন্ধুৱাৰ টকাকে বন্ধুৱাক লাইনত গৈ দিয়া দেখুৱাই তেন্তে মন্ত্ৰী হৈ এনেকুৱা কাম কৰাত অমাৰ কব লগীয়া একো নাই। গতিকে প্ৰলোভিত নহৈ ৰাইজৰ প্ৰতি সেৱাৰ মনোভাব লৈ কাম কৰি ৰাইজক আকৃষ্ট কৰে তেন্তে বেয়া মানুহ হলেও আমি তেখেতক ভাল বুলি ধৰি লব পাৰো।

গতিকে ২৫ জন মন্ত্ৰীৰ বাবে ২৫ খন গাড়ীৰ প্ৰয়োজন হলেই আৰু সেই বিলাকৰ প্ৰত্যেক দিনৰ খৰচ কিমান তাৰ কোনো হিচাব নাই। গতিকে এই সকলো-বিলাক আমাক জনাব লাগে।

যিজন গাড়ীৰ মালিক পৰিবহন বিভাগৰ মন্ত্ৰীজনে মন্ত্ৰীসকলক দিব লগা গাড়ী বিলাকো কলিকতাত parts বদলি কৰি ইয়ালৈ আনিছে। প্ৰায় বিলাক গাড়ী work-chaps পৰি থাকে। আমি কেতিয়াবা কিবা কামত pool car বিচাৰীলে নেপাও। এই Pool car বিলাক কেতিয়াবা মন্ত্ৰীয়ে নিয়ে আৰু কেতিয়াবা work-chapsত পৰি থাকে। কেৱল পৰিবহন বিভাগৰ মন্ত্ৰীৰ গাড়ীখনহে ভালে থাকে। আমি ধাৰত টেতুলৈকে পোত খাইছো অথচ আমি এনেকৈ চব খাই শেষ কৰো যদি, ৰাইজৰ আগত আমি কেনেকৈ থিয় হম ?

মই বেছি নকও কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মাননীয় মুখ্য মন্ত্ৰীক জনাব বিছাৰিছো আমাৰ নীতি পৰিবৰ্ত্তন কৰিবৰ হল out work পৰিবৰ্ত্তন কৰিবৰ হ'ল। আজি ২০ বছৰ আগতে যি দিন আছিল আজি সেই দিন নাই। মন্ত্ৰীসভাত যেতিয়ালৈকে এনে মনৰ মানুহ নাপাব তেতিয়ালৈকে ৰাইজৰ সেৱা কৰা সম্ভৱ নহব আৰু তেতিয়ালৈকে দেশখনৰ শাসনযন্ত্ৰ শিথীল হৈ থাকিব। গতিকে আমি কম সংখ্যক মন্ত্ৰীৰে দেশ চলাব পাৰিলে ৰাইজ সন্তুষ্ট হব আৰু মুখ্যমন্ত্ৰীয়ে নিজে বুকু ফিন্দাই কব পাৰিব যে আমি ৰাইজৰ কাৰণে কিবা কৰিছো। নহলে crouie decentryৰ দৰে এই মন্ত্ৰীসভাৰ দিনতে এই মন্ত্ৰীসভাৰ আৰু অসমৰ ভৱিষ্যত পতন ঘটিব। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

*Shri Premadhar Bora—অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো আৰু লগতে কেইটামান আসোঁৱাহ দেখুৱাব খুজিছো। মই আগতেই কৈছো যে এই মন্ত্ৰী সভাখন এখন "কোৰাৰ্থ cabinate" হে। মন্ত্ৰী সভাখন ডাঙৰ হৈছে যদিও তেওঁলোকৰ কৰ্ম্ম কিন্তু সৰু হৈছে। সিদিনা মোৰ সমষ্টিত ৪ জন মন্ত্ৰী একেলগে ওলালগৈ আমি কিন্তু খবৰেই নাপালো। কিন্তু মুখ্য মন্ত্ৰীয়ে আশ্বাস দিছিল যে যদি কোনোৱা মন্ত্ৰী ভ্ৰমণলৈ যায় সদস্য সকলে খবৰ পাব, আমাৰটো দূৰৰেই কথা তেওঁলোকৰ নিজৰ ভিতৰতে খবৰ

নাই। এই বিলাক চাই চিতি ভ্ৰমণৰ ব্যৱস্থা কৰিব লাগে তেওঁলোকৰ ভিতৰত co-ordination থাকিব লাগে।

ৰাজ্যপাল ডাঙৰীয়া ওখন বিশ্ববিদ্যালয়ৰ Chancellor আৰু মূখ্য মন্ত্ৰীয়ো শিক্ষা বিভাগৰ গুৰিয়াল তথাপিতো এই শিক্ষা বিভাগত কেবোণ লাগিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয় যোৰহাট কৃষি বিশ্ববিদ্যালয়ত গোলমাল লাগিছে। তেখেত সকলে এই কথা বিলাক চিন্তা কৰি এই শিক্ষা বিভাগতো নিকা কৰিব লাগিব।

আৰু এটা ডাঙৰ কথা হৈছে পূৰবঙ্গৰ গোলমালৰ কাৰণে আজি লাখ লাখ মানুহ আহি অসম সোমাইছেহি আৰু তেওঁলোকৰ সাহায্যৰ নামত চিকিৎসাৰ নামত শিবিৰ পতা হৈছে। সাহায্য কৰক চিকিৎসা কৰক ভাল কথা। কিন্তু এই চম বহিৰাগত মানুহ কেনেকৈ আহি নিৰ্ব্বিবাদে লক্ষিমপুৰ, শিবসাগৰ আদিত সোমাইছেহি এইটো কি ধৰণৰ কথা। তেওঁলোক campত থাকক। এই বিষয়ে মই ৰাজ্যপাল ডাঙৰীয়া আৰু মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিলো।

আমাৰ General administrationত যিটো টকা ভাগ কৰিছে তাত মন্ত্ৰী সকলৰ কাৰণে ১৩ লাখ, চেক্ৰেটাৰী সকলৰ কাৰণে ৩ লাখ আৰু কমিচনাৰৰ আৰু S.D.C. আদিৰ কাৰণে ১২০ লাখ টকা দিয়া হৈছে। অৰ্থাৎ 1:5:9. এই আমাৰ ১১৫ লাখ মানুহৰ শতকৰা ৯ ভাগহে সুবিধা পাইছে এইটো Decentralise কৰিলেহে Socialismৰ ফালে যাব পাৰিব। তাৰ কাৰণে টকা বেছি খৰছ কৰিব লাগে। আমাৰ যিবিলাক District officer আছে তেওঁলোকে incentive পাব লাগে। I.A.S. আৰু A.C.S.ৰ মাজত যি বৈষম্য আছে তাত A.C.S. officer সকলে অসন্তুষ্ট হৈছে আৰু সেই কাৰণে তেওঁলোকে association কৰিছে। সেই কাৰণে আমাৰ উপযুক্ত A.C.S. officer সকলক I.A.S.ৰ সুবিধা দিব লাগে আৰু তেওঁলোকক I.A.S. care লৈ আমাৰ ব্যৱস্থা হব লাগে। A.C.S. I আৰু A.C.S. II মাজত যিটো বৈষম্য আছে সেইটো থাকিব নালাগে। B.D.O. আৰু S.D.C. সকলৰ মাজত অসন্তুষ্টৰ সৃষ্টি হৈছে তেওঁলোকক class I officerৰ সুবিধাটো দিয়াৰ কাৰণে মুঠতে আমাৰ মন্ত্ৰী সকলৰ লগত আৰু M.L.A. সকলৰ লগত আৰু চৰকাৰী বিষয়া সকলৰো পৰস্পৰ লগত পৰস্পৰৰ এটা গভীৰ co-ordination থাকিব লাগে।

*Speech not corrected

*M. Shamsul Huda—অধ্যক্ষ মহোদয়, মই ১০ নং দাবীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি চৰকাৰ, মন্ত্ৰীসভা, গভৰ্ণৰ আৰু প্ৰশাসনীক ব্যৱস্থা সম্পৰ্কে কেইটামান কথা কম।

প্ৰথমতে মই কব খুজিছো যে গণতন্ত্ৰৰ নামত ভোটলৈ যি প্ৰশাসন ব্যৱস্থা কৰা হয় তাৰ ওপৰত এজন Appointed কৰ্ম্মচাৰী আমি ৰখাটো গণতন্ত্ৰৰ কাৰণে অৰ্থহীন। ইয়াৰ ফলত গণতন্ত্ৰৰ মৰ্য্যদা কমাই দিয়া হৈছে। কাৰণ ৰাষ্ট্ৰপতিয়ে নিয়োগ কৰা কৰ্মচাৰীজন যাক ৰাজ্যপাল বোলা হয় তেওঁৰ কোনো কৰিবলগীয়া কাম নাই। আছে মাত্ৰ এটা, সেইটো হৈছে কংগ্ৰেছ পাৰ্টিৰ Agent হিচাপে কাম কৰা। নিৰ্ব্বাচিত প্ৰতিনিধিৰ দ্বাৰা চলাবলগীয়া শাসন ব্যৱস্থাত গভৰ্ণৰৰ কৰ্ত্তব্য একো নাই। বৰঞ্চ দেখা যায় ৰাইজৰ মাজত সময়ে সময়ে এটা অসুস্থ পৰিৱেশৰহে সৃষ্টি কৰে। সেইদৰেই সুস্থ প্ৰশাসনীক ব্যৱস্থাৰ অসুস্থ পৰিবেশলৈ টানি নিয়ে, যেনেকৈ পশ্চিমবঙ্গত ঘটিছে। মাননীয় সদস্য শ্ৰীনকুল দাসে পশ্চিমবঙ্গৰ কথা উলিয়াই মোক সোঁৱৰাই দিছে যে পশ্চিমবঙ্গৰ সংখ্যাগৰিষ্ঠৰ মন্ত্ৰীসভা থাকোতে গভৰ্ণৰে এজন এজনকৈ মানুহ ফুচুলাই Deffection কৰি আইন আৰু শৃঙ্খলা নষ্ট কৰি পিচ দুৱাৰেদি অন্য শাসন আনিলে। এইদৰেই এইবিলাক কামৰ বাহিৰে গভৰ্ণৰৰ আৰু অন্য কাম নাই আৰু গভৰ্ণৰৰ পদবীটো বগা হাতীৰ নিচিনা। গতিকে এই গভৰ্ণৰৰ তলত যি চৰকাৰ বা মন্ত্ৰীসভা আছে সেইবিলাকো অকামিলা আৰু অকাৰ্য্যকৰী। সচাকৈ কবলৈ গলে—চৰকাৰৰ যিবিলাক বিষয়ববীয়া আছে তেওঁলোকৰ ওপৰত চৰকাৰৰ কোনো হাত নাই কাৰণ চৰকাৰৰ কথা তেওঁলোকে মানি নচলে। আমাৰ মন্ত্ৰীসভাত ২৬ জন মন্ত্ৰী আছে যদি মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ নিজৰ স্বাৰ্থপূৰণৰ কাৰণে কেইজনমান বেকাৰ সদস্যক মন্ত্ৰী পাতি কৰ্ম্মসংস্থান দিছে তেনেহলে ঠিকেই কৰিছে। কিন্তু প্ৰকৃত পক্ষে তেওঁলোকৰ দ্বাৰা কোনো কাম হোৱা নাই। ২৬ জন মন্ত্ৰীৰ ওপৰিও এজন স্পীকাৰ আৰু এজন ডেপুটিস্পীকাৰ আছে। সেই আতাইখিনি লগ লগালে দেখা যায় যে প্ৰতিদিনে এখন জিলাত ৪ জনকৈ মন্ত্ৰীয়ে ভ্ৰমণ কৰে। তেওঁলোক চাৰ্কিট হাউচ বা ডাকবাংলাত থাকোতে D.C, A.D.C. বা S.D.O সকলে তেওঁলোকৰ লগত চালাম থুকি ঘূৰি ফুৰোতে ফুৰোতে জিলাৰ প্ৰশাসনীক ব্যৱস্থা ভাঙি গৈছে। আৰু আমি দেখিছো যে মুখ্যমন্ত্ৰী

ডাঙৰীয়াই Efficiant মানুহক তেখেতৰ মন্ত্ৰীসভাত লব পৰা নাই। অৱশ্যে ২/৪ জনৰ যোগ্যতা নিশ্চয় আছে। বাকীসকলৰ যোগ্যতা অৰ্জনৰ কাৰণে এটা 'কোচিং ক্লাচ' খুলিলে বোধকৰো ভাল হব। তেতিয়া হয়়টো তেখেত সকলে যোগ্যতা অৰ্জন কৰিব পাৰিব আৰু সেইবোৰ কাম চলোৱাত সুবিধা হব। আমি শুনিবলৈ পাইছো এনেকুৱা মন্ত্ৰীও আছে যি ফাইল পালে কি কৰিব নকৰিব উপায়ন্তৰ হৈ ফাইলবিলাক গাড়ীত ভৰাই পুৰণা মন্ত্ৰীৰ ওচৰলৈ লৈ যায়। এনেকুৱা ৫০টা লৈকে ফাইল লৈ যোৱা মন্ত্ৰী মন্ত্ৰীসভাত আছে।

*Speech not correct

( সময়ৰ সংকেত )

চাৰ, আৰু অলপ সময় মোক লাগিব।

Mr. Speaker—আপুনি কালিলৈ কব।

## Adjournment Motion—Influx of rcefugees from Bangla Desh

Mr. Speaker—Now, adjournment motion.

Shri Lakshyadhar Choudhury—My adjournment motion is about the influx of refugees from Bangla Desh or East Pakistan to the State of Assam. Sir, I find under Rule 56 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly it fulfils all the conditions. It is of recent origin and of great public importance. Sir, moreover I find that the restrictions imposed on moving an adjournment motions are also not application here. Sir, I think this motion is in order becuase all the states are very much agitated now over the influx of refugees coming from East Bengal or Bangla Desh. In the last sitting of the Assembly we have

already adopted an unanimous resolution to give recognition to the Bangla Desh a govt. headed by Sheik Mujibur Rahman. But one month is passed now and Yaha Khan is still continuing the brutal genocide of the East Bengal people. In the meantime from the several border areas refugees are coming. According to the Govt. estimate it is one lakh. I have seen in the news paper Amrit Bazar Patrika that our State Minister for rebabilitation Mr. Sadhan Ranjan Sarkar has given an account of the seriousness of the matter. Therefore Sir, it fulfils all the conditions laid down in the Rules of Procedure and so I think you will very kindly allow this motion.

Shri Atul Chandra Goswami—অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো সমৰ্থন কৰি মই দুআষাৰ মান কথা কব খুজিছো। চৰকাৰী হিচাব মতেই বাংলাদেশৰ পৰা ১লাখ মান ভগনীয়াই অসমত প্ৰবেশ কৰি এটা সমস্যাৰ সৃষ্টি কৰিছে। এওঁলোকৰ বহুখিনিৰ ব্যৱস্থা চৰকাৰৰ Rehabilitation বিভাগে কৰি দিছেই। তেওঁলোকে অকল সীমান্ততেই নেথাকি বিভিন্ন গাওঁ-ভূইলৈকো বিয়পি পৰিছে। এনেকুৱাও দেখা গৈছে যে পূৰ্ব্বতে যি বিলাক মানুহক ভাৰতীয় নাগৰিক নহয় বুলি অসমৰ পৰা বাহিৰ কৰি পঠোৱা হৈছিল তেওঁলোকৰো বহু সংখ্যক মানুহ আহি তেওঁলোকৰ মিতিৰ কুতুমৰ ঘৰত আছেহি। গতিকে এই ঘটনাৰ পৰিপ্ৰেক্ষিতত Borderত তেওঁলোকৰ কাৰণে কোনো camp আদিৰ ব্যৱস্থা নকৰি তেওঁলোকক যলৈকে তললৈকে যাবলৈ দিয়াৰ ফলত আজি এই অৱস্থাৰ উদ্ভৱ হৈছে। ফলত আজি আমাৰ ৰাজ্যৰ নিৰাপত্তা ক্ষুন্ন হোৱাৰ উপক্ৰম হৈছে আৰু ৰাজ্যৰ আইন শৃঙ্খলাৰ পৰিস্থিতিৰো অৱনতি হোৱাৰ সম্ভাৱনা হৈছে। গতিকে এই সমস্যাটো আলোচনা কৰিবৰ কাৰণে যিটো সভা স্থগিত প্ৰস্তাৱ ইতিমধ্যে অনা হৈছে আৰু এই প্ৰস্তাৱ গৃহীত হবৰ কাৰণে যিখিনি আৱশ্যকীয় নিয়মৰ প্ৰয়োজন হয় সেইখিনি এই প্ৰস্তাৱৰ সপক্ষে আছে। মই অনুৰোধ জনাও অধ্যক্ষ মহোদয়, পূৱ-পাকিস্থানৰ

পৰা অহা এই শৰনাৰ্থী সকলে উদ্ভৱ কৰা সমস্যাটোৰ লগত যিহেতু আমাৰ ৰাজ্যৰ নিৰাপত্তা আৰু আইন শৃঙ্খলাৰ প্ৰশ্ন জড়িত হৈ পৰিছে, গতিকে এই adjourment motion টো বিধান সভাই গৃহীত কৰি এই সমস্যাটো বিশদ ভাবে আলোচনা কৰি সেই অনুসাৰে যাতে কোনো প্ৰয়োজনীয় ব্যৱস্থা লব পৰা যায় তাৰ ব্যৱস্থা কৰিব লাগে।

**Shri Sailen Medhi**—অধ্যক্ষ মহোদয়, এইটো এটা সচাঁকৈয়ে great public importanceৰ বিষয় হৈ পৰিছে। কিয় এই বিষয়টো এটা public importanceৰ বিষয় হৈ পৰিছে এই বিষয়ে আমাৰ বহু কেইজন মাননীয় সদস্যাই যুক্তি প্ৰদৰ্শন কৰিছে আৰু মইও এই সন্দৰ্ভত তুআষাৰমান কওঁ। চৰকাৰে ইতিমধ্যে Borderত যি কেইটামান camp কৰি দিছে তাত যিসকল ভগনীয়া বাংলা দেশৰ পৰা আহি উপস্থিত হৈছেহি তেওঁলোকক যথাযথ ভাবে চৰকাৰে সাহায্য দিবৰ কাৰণে কোনো ব্যৱস্থা কৰিব পৰা নাই। কাৰণ এই কামৰ কাৰণে চৰকাৰী শিতানত পৰ্য্যাপ্ত পৰিমাণৰ ৰাজহুৱা ধন নাই।

দ্বিতীয়তে প্ৰত্যেক ৰাজ্যিক চৰকাৰে বিভিন্ন প্ৰস্তাৱ পাহ কৰা স্বত্বেও দেশৰ প্ৰত্যেক জনসাধাৰণেই বাংলা দেশক এখন স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰ হিচাবে স্বীকৃতি দিব লাগে বুলি দাবি কৰা স্বত্বেও ভাৰত চৰকাৰে এই ক্ষেত্ৰত কোনো সিদ্ধান্ত লব পৰা নাই। গতিকে এই সন্দৰ্ভতে বাংলা দেশৰ এই ভগনীয়া সমস্যাটোৱে এটা গুৰুত্বৰ সমস্যা হিচাবে থিয় দিছে। ইতিমধ্যে দুদিন আগতে ২৫ জন মান পূৰ্ববঙ্গৰ মানুহে কামৰূপত Deputy Commissionerৰ ওচৰত হাজিৰ হৈ প্ৰায় ৪ হেজাৰ মান পাকিস্থানী নোট দাখিল কৰি তেওঁলোকক অন্ততঃ খাবৰ কাৰণে অলপ ভাৰতীয় ধন জোগাৰ কৰি দিবলৈ অনুৰোধ জনোৱাত Deputy Commissionerএ কলে যে Rehabilitation fundত তেনে কোনো টকা নাই। Borderত থকা Campলৈ তেওঁলোকক নিয়াৰ ব্যৱস্থা কৰা হ'ল যদিও ইতিমধ্যে হাজাৰ হাজাৰ ভগনীয়া প্ৰায় এক লাখতো অধিক ভগনীয়া আহি সীমান্তত উপস্থিত হৈছেহি। তেওঁলোকৰ কোনো ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা কৰিব পৰা নাই। এই পৰিপ্ৰেক্ষিতত যদি এটা সভাস্থগিত প্ৰস্তাৱৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰক জনাব পৰা নেযায় তেতিয়া হলে এই সমস্যাটো আমাৰ ৰাজ্যিক চৰকাৰে সুচাৰুৰূপে tackle কৰাটো সম্ভৱপৰ নহব। এই লোক সকলৰ এতিয়া কি ব্যৱস্থা কৰিব পৰা যায় বা এই লোক সকলক পুনৰ পঠাই দিলেও

নতুনকৈ কি অৱস্থাৰ সৃষ্টি হব পাৰে সিও সন্দিহান হৈ আছে। অথচ ভাৰত বৰ্ষৰ জনসাধাৰণে বাংলা দেশক স্বীকৃতি দিব লাগে বুলিও দাবী জনাই আহিছে। তদুপৰি গোস্বামী ডাঙৰীয়াই উল্লেখ কৰাৰ কথা এটা জনাব খুজিছো। দুদিনৰ আগতে High-courtত এটা case আহিছিল। আগতে যাক Pakistani বুলি বহিষ্কাৰ কৰা হৈছিল তেওঁলোক আকৌ অসমত সোমায় পৰাত তেওঁলোকৰ ওপৰত Foregner's Act মতে বিচাৰ হল। High courtৰ Judgeও বৰ্ত্তমানত বিমোৰত পৰিছে এই লোক সকলক এতিয়া কি কৰা যায়। পঠালেও এতিয়া কলৈ পঠিয়াব? আইন শৃঙ্খলাৰ প্ৰশ্নও যিহেতু ইয়াত জড়িত হৈ আছে। হাইলাকাণ্ডিত এনে এটা ঘটনাও ঘটিছে যে ভগনীয়াৰ লগতে কিছুমান পাকিস্থানী সমৰ্থক লোক সোমাই আহি তেওঁলোকে কিছুমান Commutnal-typeৰ কাৰ্য্য-কলাপ চলোৱাৰ প্ৰয়াস কৰিছে। এইটো এটা সকলো দিশৰ পৰাই great public impostanceৰ বিষয় হৈ পৰিছে। গতিকে এটা সভাস্থগিত প্ৰস্তাৱৰ যোগেদি সদনৰ মজিয়াত আলোচনা কৰি তাৰ যোগেদি কি ব্যৱসায় কৰিব পৰা যায় আৰু এই সমস্যাবোৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণবো ব্যৱস্থা কৰিব লাগে। গতিকে মই এই ভগনীয়া সমস্যাটো এটা গুৰুতৰ সমস্যা বুলি ভাৱি এই adjournment Motionটো সমৰ্থন কৰিলো।

*Shri **Dulal Chandra Barua**—অধ্যক্ষ মহোদয়, সভা স্থগিত প্ৰস্তাৱটোৰ literal meaningটোহে থাকিব। কাৰণ আজিৰ Agenda voting of demands শেষ হৈ গল। গতিকে এই গুৰুত্বপূৰ্ণ বিষয়টো এটা আলোচনা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিব লাগে।

আমাৰ বোৰ্ডাৰ State দুখনৰ (অসম পঃবঙ্গ) কাৰণে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা স্বত্বেও কোনো বিশেষ ব্যৱস্থা নললে। কেন্দ্ৰীয় চৰকাৰৰপৰা চিৰাচৰিত কোনো নিৰ্দ্দেশ নপোৱাৰ ফলত Security বা intigrityৰ বিষয়ে deal কৰিব পৰা নাই। বাংলাদেশত আজি যি পৰিস্থিতিৰ উদ্ভৱ হৈছে এই অৱস্থাত সীমামুৱীয়া দেশ হিচাবে নিৰাপত্তাৰ কথা চিন্তা কৰিব লাগিব।

ভগবানে নকৰক যেন আমাৰ দেশত তেনে সমস্যা নহয়। গতিকে এই বিষয়ে এটা আলোচনা কৰা দৰ্কাৰ হৈ পৰিছে কাৰণ এনেদৰে যধে-মধে

শৰনাৰ্থীবিলাক আহি যতে ততে সোমাই থকা কথাটো ঠিক নহব। ইয়াৰ ভিতৰত বহুত Spyও থাকিব পাৰে। আমি মুজিবোবক আৰু তেওঁৰ followersক সমৰ্থন কৰি আহিছো কিন্তু আমাৰ Security আৰু Intigratyও ৰক্ষা কৰিব লাগিব। এইদৰে চাৰিওফালে শৰনাৰ্থী কোনোবাই গোৱালপাৰাত, চিলঙত, যোৰহাতত, নগাওঁত গৈ পাইছে। গতিকে কথাটো বৰ গুৰুত্বপূৰ্ণ।

*Speech not Corrected

( সময়ৰ সংকেত )

সভা স্থগিত প্ৰস্তাবৰ আচল আৰ্ট নায়েই যিহেতু agenda শেষ হৈ গৈছে। কিন্তু এই কথাটো বিশেষভাবে আলোচনা কৰিব লাগে।

Shri Mahendra Mohan Choudhury—অধ্যক্ষ মহোদয়, এই কথাটোত মই সন্মতি জনাইছো। এই বিষয়টো আলোচনা কৰা উচিত। মই পৰামৰ্শ আগবঢ়াব খুজিছো যে এই বিষয়টো এনেকৈ খুলা খুলি ভাবে আলোচনা নকৰি Secret session এটা হব লাগে। যিহেতু তুখন ৰাজ্যৰ মাজত কিবা এটা ঘটনা সংঘটিত হৈছে এই ক্ষেত্ৰত আমিও কিছু প্ৰচাৰ কাৰ্য্য বাহিৰত নকৰি আমাৰ ভিতৰতে ৰখাটো উচিত পৰা পক্ষত ৪ বজাৰ পিচত হলে ভাল হয়।

Shri Dulal Chandra Barua—কথাটোত মইও সন্মতি জনাইছো। আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰাটো দৰ্কাৰ।

Mr. Speaker—I have already given a date. Now, in view of the statement made by the Chief Minister I will fix a date and hour for discussion of the matter after consulting the leaders of the different groups and also the Leader of the House, and I will announce the date lateron.

Adjournment

The Assembly then adjourned till 10 A.M. on tuesday, the 27th April 1971.

U. Talukdar,
Secretary
Legislative Assembly,
Assam.

Shillong
The 26th April, 1971